# সভাপতিৰ অভিভাষণ

"অসম সাহিত্য সভা"

"চতুঃপঞ্চাশত্তম অধিবেশন"

সাহিত্য তীৰ্থ" হাইলাকান্দি

১০ ফাগুন, ১৯০৯ শকাব্দ

২৩ ফেব্ৰুৱাৰী ৮৮

শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা

অসম সাহিত্য সভাৰ হাইলাকান্দি অধিবেশনৰ সভাপতিৰ পদৰ বাবে মোক ৰাইজে নিৰ্বাচিত কৰা বাবে পোনতেই মই ৰাইজলৈ সেৱা জনাইছো। যিখন আসনলৈ অসমৰ ৰথী-মহাৰথীসকল নিৰ্বাচিত হৈ আহিছে, সেইখন আসনলৈ মোক বাছি অনাত মই নিজেই কুণ্ঠাবোধ কৰিছো। মই মাত্র সমূহ ৰাইজৰ ওচৰত মূৰ দোঁৱাই এই কথাকে ক'ব পাৰো যে অসমৰ ভাষা-সাহিত্যৰ স্বাৰ্থ সেৱা কৰাত মোৰ ক্ষুদ্ৰ শক্তিৰে যিমান চেষ্টা কৰিব পাৰি সিমানখিনি কৰিম। পাণ্ডিত্যপূৰ্ণ ভাষণৰ অপচেষ্টা আজি মোৰ ভাষণত কৰা নাই--মই মাত্র আমাৰ সমুখৰ ভয়াবহ সমস্যাৰ বিশ্লেষণ কৰি তাৰ নিৰাকৰণৰ বাবে কেতবোৰ ভাবৰ বুৰবুৰণি প্ৰকাশ কৰিবলৈহে চেষ্টা কৰিছো। ইয়াত বুৰঞ্জীৰ বাকৰিত থিয় নিদি জীয়া বৰ্তমানৰ চোতালত থিয় দি দুৱাষাৰ কথা পতাৰ চেষ্টাহে কৰা হৈছে।

আজি আমি গোট খাইছোহি বৰাইলৰ ব্যৱধানে মন আঁৰ কৰি ৰাখিব খোজা বৰাক উপত্যকাৰ হাইলাকান্দিত। অসম সাহিত্য সভাৰ এই অধিবেশন ইয়াত পতাৰ মাজত কোনো কথা লুকঢাক কৰি ৰখা নাই। আমি আহিছো চেনেহৰ কপৌফুল লৈ--মনে মনে মিলিবলৈ, দুৱাষাৰ আলচ কৰি ভুল বুজাবুজি ভাঙিবলৈ আৰু আমাৰ সমস্যাৰ বিষয়ে মুকলিভাৱে বিচাৰ লবলৈ। মুকলি পৰিবেশৰ মাজত ইয়াত সমবেত হ'বলৈ আমাৰ সকলোকে সুবিধা দিয়াৰ বাবে বৰাক উপত্যকাৰ ৰাইজৰ ওচৰত—বিশেষকৈ হাইলাকান্দিৰ ৰাইজৰ ওচৰত আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।

বৰ্তমানৰ বিভিন্ন সমস্যাক মিলিজুলি ভেটা দিয়াৰ বাবে আমি চেষ্টা চলোৱাৰ মন মেলিছো আৰু এই ক্ষেত্ৰত অসমক ভাল পোৱা সকলো লোকৰে সহযোগিতা পোৱা হ'ব বুলি আমি আশা কৰিছো।

**সমস্যাৰ গুৰি :** আজি অসমৰ সমুখত যিবোৰ সমস্যাই দেখা দিছে, সেইবোৰৰ গুৰি খুচৰিবলৈ যাওঁতে ৰাজনৈতিক প্ৰসঙ্গ অৱতাৰণা কৰাৰ থল

ইয়াত নাই—কিয়নো এইখন ৰাজনৈতিক মঞ্চ নহয়। তথাপি এটা সীমাৰ ভিতৰত থাকি কিছুমান কথা আলোচনাৰ মাজলৈ আনিবলগীয়া হ'বই।

সৰু ৰাজ্যবোৰৰ সমস্যাৰ সম্যক বিচাৰ লোৱাৰ আগ্ৰহ নেদেখুৱাই সেইবোৰক গাপ দি থোৱাৰ ফলত নাইবা সেইবোৰৰ বিকৃত ব্যাখ্যা দিয়াৰ ফলত অসমৰ দৰে বহুতো অঞ্চলত বিভিন্ন পৰিস্থিতিৰ সৃষ্টি হৈছে।

ভাষিক, ধৰ্মীয় আৰু অন্যান্য পৰ্যায়ৰ সংখ্যালঘুৰ স্বাৰ্থ সংৰক্ষণৰ বাবে সংবিধান মতেই সকলো দায়বদ্ধ। সেইদেখি বিভিন্ন ক্ষেত্ৰত এনেবোৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে আৰু য'ত বিচ্যুতি ঘটিছে, তেনে ক্ষেত্ৰতো তাৰ প্ৰতিকাৰ ঘটোৱা হৈছে। এই বিষয়ত কৰিব লগীয়া আৰু কাম ওলাব। কিন্তু এই ক্ষেত্ৰত এটা কথা কৈ থোৱা উচিত যে সংখ্যালঘুৰ ধ্বনি তুলি সংখ্যাগৰিষ্ঠক 'ভেটো' দিয়াৰ অধিকাৰো সংবিধানে কাকো দিয়া নাই। সংখ্যালঘু আৰু সংখ্যাগুৰু উভয়ে উভয়ৰ প্ৰতি সহনশীল, সহযোগী হ'ব লাগিব—তেতিয়াহে দেশৰ অগ্ৰগতি সম্ভৱপৰ। সম্প্ৰতি ৰাজনৈতিক প্ৰৰোচনাত সংখ্যালঘুৰ 'ভেটো' প্ৰয়োগৰ নিচিনা ঘটনাও ঘটিছে—যাৰ ফলত সমাজত তিক্ততাৰ সৃষ্টি হৈছে।

এই ক্ষেত্ৰত আমাৰ দেশৰ কৰ্ণধাৰসকলৰ কৰ্মধাৰাৰ কথাও আলোচনা কৰিবলগীয়া হ'ব। সৰু সৰু ৰাজ্যবোৰৰ স্বাৰ্থ ৰক্ষা কৰিব পৰাকৈ সংবিধানত উপযুক্ত ব্যৱস্থা থকা হ'লে সম্প্ৰতি বহুতো সমস্যাৰ সৈতে মুখামুখি হ'বলগীয়া নহ'লহেঁতেন। কিন্তু আমাৰ সংবিধান ৰচোতাসকলে তাকে নকৰিলে। ডাঙৰ ৰাজ্যবোৰৰ স্বাৰ্থইহে প্ৰাধান্য পালে। ডাঙৰ ৰাজ্যবোৰত জনসংখ্যাৰ হাপ বেছি, ঔদ্যোগিক কাৰ্যাৱলীও বেছি—সেইদেখি সেইবোৰ ৰাজ্যৰ জনশক্তি অনগ্ৰসৰ অঞ্চললৈ প্ৰবাহিত হ'বই। এইটো অৱশ্যে হ'বই; তাক কোনেও বাধা দি ৰাখিব নোৱাৰে। কিন্তু মূলতঃ অকল সেইসকলৰ স্বাৰ্থলৈ চকু দি সাংবিধানিক ব্যৱস্থা আৰু আইনৰ ব্যৱস্থা আদি ৰখাৰ ফলত অনগ্ৰসৰ অঞ্চলবোৰত বিভিন্ন সমস্যাৰ সৃষ্টি হ'ল।

**সংৰক্ষণ** : আনহাতে আমাৰ সংবিধানে 'সংৰক্ষণ'ৰ ব্যৱস্থা ৰাখি যি সমস্যাৰ সমাধান কৰিব পাৰিব বুলি আশা ৰাখিছিল, সেই সমস্যা এতিয়া জটিলহে হৈ পৰিল।

সংবিধানত পোনতে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল—অস্থায়ীভাৱে ১০ বছৰৰ কাৰণে। পিচে অনগ্ৰসৰ শ্ৰেণীৰ উন্নতি অৰ্থনৈতিক আৰু সামাজিক স্থিতাৱস্থাৰ ভিত্তিত কেতিয়াও হ'ব নোৱাৰে। অৰ্থনৈতিক-সামাজিক ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তন সাধি সকলো ধৰণৰ শোষণ দূৰ কৰিহে অনগ্ৰসৰ অৱস্থাত থকা শ্ৰেণীক আগবঢ়াই নিব পাৰি। কিন্তু সংবিধানৰ প্ৰণেতা সকলে স্থিতাৱস্থাৰ ভেটিৰ পৰা আঁতৰি নগৈ ফালৰি কাটিলে সংৰক্ষণৰ পিনে।

সংৰক্ষণ ব্যৱস্থাই সীমাৱদ্ধ ক্ষেত্ৰত উপকাৰ সাধিলেও মূল সমস্যা দূৰ কৰিব নোৱাৰিলে। স্বাধীনতাৰ আগতে অনগ্ৰসৰ শ্ৰেণী যি স্থিতিত আছিল, এতিয়াও প্ৰায় একে স্থিতিতে আছে। আজিও সেই শ্ৰেণীৰ লোকৰ ওপৰত প্ৰত্যক্ষ আৰু পৰোক্ষ ধৰণৰ বিবিধ শোষণ অব্যাহত আছে। ভাৰতৰ নামত কলংক সনা ধৰণৰ ঘটনা ঘটাটোও আজিও সম্ভৱপৰ হৈ আছে। আমাৰ সংবিধানে এহাতে দি এহাতে নিয়াৰ ব্যৱস্থা দিয়াৰ ফলত নিঃস্বসকলৰ প্ৰকৃত স্বাৰ্থ পূৰণ হোৱা নাই ; দাৰিদ্ৰ উচ্ছেদৰ সকলো আঁচনি ফুটুকাৰ ফেন হৈ পৰিছে।

আনহাতে সংৰক্ষণ ব্যৱস্থাক কেন্দ্ৰ কৰি নতুন নতুন শক্তিৰ সৃষ্টি হ'ল। গোঁজ পোতা স্বাৰ্থ ইমান প্ৰৱল হ'ল যে অস্থায়ীভাৱে ১০ বছৰৰ বাবে প্ৰয়োগ কৰা সংৰক্ষণ ব্যৱস্থা কাৰ্যতঃ স্থায়ী হৈ পৰিল। আজি ভাৰতত এনে কোনো শক্তি নাই, যি সংৰক্ষণ ব্যৱস্থা বাতিল কৰিব পাৰে। এই ব্যৱস্থাই কেন্দ্ৰ-বিমুখী শক্তিৰ জোৰ বঢ়ালে—কেন্দ্ৰমুখী শক্তিক নিশকতীয়া কৰিলে। সংৰক্ষণৰ গণ্ডীৰ ভিতৰ সোমাবলৈ প্ৰতিযোগিতা চলিল। ব্যক্তিমুখী সুবিধা তথা নেতৃত্বৰ লালসাত শান দিবলৈ এয়ে অস্ত্ৰ হৈ পৰিল। আনহাতে ৰাজনৈতিক চিকাৰীবৰ্গ সকলো ধৰণেৰে প্ৰৰোচনা যোগাই এনেবোৰ লোক-সমষ্টিক উচটাই জোল খোৱাৰ প্ৰতিযোগিতাত নামিল। ফলত দেশৰ সমুখত নতুন নতুন সমস্যাৰ সৃষ্টি হ'ল। ৺বল্লভভাই পেটেলৰ অৱমূল্যায়নৰ লগে লগে তেওঁৰ দ্বাৰা অনুসৃত মূল-নীতিও বাধাগ্ৰস্ত হ'ল। আজি দেশত বিভিন্ন ধৰণৰ মনৰ চুবুৰী গঠিত হৈছে আৰু বিভিন্ন ক্ষুদ্ৰ জনগোষ্ঠীক ঠেক গণ্ডীৰ ভিতৰলৈ ঠেলি নি ৰাষ্ট্ৰীয় জীৱনত সংঘাতৰ সৃষ্টি কৰা হৈছে।

১৯৫৫ চনত ৰাজ্য পুনৰ গঠন আয়োগে মন্তব্য কৰিছিল যে সংখ্যালঘু সকলৰ শিক্ষা, সংস্কৃতি আৰু অন্যান্য স্বাৰ্থ ৰক্ষা কৰাৰ বাবে উপযুক্ত ৰক্ষা-

কৱচ পোৱাৰ অধিকাৰ সংখ্যালঘু সকলৰ আছে ; কিন্তু লগতে এই কথাও মনত ৰাখিব লাগিব বুলি সঁকিয়াই দি আয়োগে কৈছিল যে সংহতিৰ প্ৰক্ৰিয়াত বাধা দিয়া বা পৃথক মনোভাৱক স্থায়ী ৰূপ দিয়া ধৰণেৰে এনে ৰক্ষাকৱচ সমূহ কামত খটুৱাব নেলাগে । পিচে আয়োগৰ এই সঁকিয়নিক ৰাজনৈতিক দালালীয়ে দেশত এলাগী কৰি ৰাখিলে আৰু ফলত সম্প্ৰতি চম্ভালিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হ'ল ।

অসমতো আজি খলকনি উঠিছে । অন্যান্য দাবীৰ লগতে অসমত জনজাতীয় লোকৰ একাংশৰ তৰফৰ পৰাও নানান দাবী উত্থাপিত হৈছে । ভাৰতৰ বিভিন্ন ৰাজ্যত জনজাতীয় লোক আছে । ১৯৭১ চনৰ পিয়লৰ মতে অসমত থকা ১৯ লাখ ১৯ হেজাৰ ৯৪৭জন অনুসূচিত জনজাতীয় লোকৰ বিপৰীতে বিহাৰত ৪৯ লাখ ৩২ হেজাৰ ৭৬৭ জন, পশ্চিম বঙ্গত ২৫ লাখ ৩২ হেজাৰ ৯৬৯ জন, উৰিষ্যাত ৫০ লাখ ৭১ হেজাৰ ৯৩৭ জন আৰু মধ্য প্ৰদেশত ৮৩ লাখ ৮৭ হেজাৰ ৪০৩ জন অনুসূচিত জনজাতিৰ লোক আছে । এইসকল লোকক সাম্প্ৰতিক স্থিতিৰ পৰা উৰ্দ্ধলৈ তোলাৰ বাবে কৰিবলগীয়া ঢেৰ কাম বাকী আছে । কিন্তু অসমত অনুসূচিত জনজাতিৰ কথা লৈ সম্প্ৰতি যি উত্তাপৰ সৃষ্টি হৈছে, তেনে উত্তাপ দেশৰ অন্যান্য অঞ্চলৰ অনুসূচিত জনজাতিৰ মাজত সৃষ্টি হোৱা নাই কিয় ? অসমৰ অনুসূচিত জনজাতিৰ লোকসকল সেই সকলতকৈ বহুত পাচ পৰি থকা কাৰণে নে সেই সকলতকৈ অধিক পৰিমাণে শোষিত হৈ থকা কাৰণে ? সেই দুটা কাৰণৰ এটাও বিশ্বাসযোগ্য নহয় বুলিয়েই ধাৰণা হয় । অনুসূচিত জনজাতিৰ শিক্ষিত লোকৰ হাৰৰ তুলনামূলক বিচাৰে আৰু বিভিন্ন ৰাজ্যৰ অনুসূচিত জাতি-জনজাতিৰ সম্পৰ্কত ওলাই থকা বা-বাতৰিবোৰেও এই ধাৰণা সুদৃঢ় কৰি তোলে ।

**'ৰাষ্ট্ৰীয় উদ্যান'ৰ নীতি :** কেন্দ্ৰীয় চৰকাৰৰ আৰু এটা নীতিয়ে জনজাতীয় লোকক ৰাষ্ট্ৰীয় জীৱনৰ ঘাই সুঁতিৰ লগত মিলাত বাধা দিয়ে । তাহানিয়েই কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকৰ সম্পৰ্কত নীতি ৰচনাৰ ভাৰ ডঃ ভেৰিয়াৰ এলউইনৰ হাতত দিলে । এই নীতিয়ে জনজাতীয় লোকক যাদুঘৰত ৰখাদি ৰাষ্ট্ৰীয় জীৱনৰ পৰা বিচ্ছিন্ন কৰি ৰখাতহে সহায় কৰিলে । যদিও জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবেই এনে ব্যৱস্থা দিয়া বুলি কোৱা হৈছিল—

কাৰ্যতঃ কিন্তু ওলোটা ফলহে হ'ল। জনজাতীয় লোক বিচ্ছিন্ন হৈ পৰাৰ লগতে তেওঁলোকৰ ওপৰত পৰোক্ষ শোষণ বাঢ়িলহে। অজনজাতীয় লোকৰ বেনামী ব্যৱসায়ে শোষণৰ জাল পাতিলে ; জনজাতীয় লোকৰ ওপৰত ভাষা-সংস্কৃতি আদিৰ বেলিকাও হেঁচা পৰিল। জনজাতীয় ধাৰা প্ৰায় বিলুপ্ত হ'বলগীয়া হ'ল—তাৰ ঠাইত ক্ষতিকৰ মূল্যবোধে প্ৰাধান্য লাভ কৰাত জনজাতীয় জীৱনত নতুন সংঘাতৰ সৃষ্টি হ'ল। লগতে সুকীয়া চিন্তায়ো গঢ় ল'লে। ৰাজ্য পুনৰ গঠন আয়োগে ১৯৫৫ চনতে মন্তব্য কৰিছিল যে জনজাতীয় ৰাইজৰ বেলিকা 'ৰাষ্ট্ৰীয় উদ্যান'ৰ চিন্তাধাৰা বৃটিছ নীতিহে। সুকীয়া জনজাতীয় ৰাজ্যৰ দাবী আংশিকভাৱে এই নীতিৰেই পৰিণতি বুলি আয়োগে মন্তব্য কৰিছিল।

অসমকে ধৰি এই অঞ্চলত জনজাতীয় লোক আৰু অন্যান্য লোকৰ মাজত স্থিতি লাভ কৰা এনে পৰিৱেশৰ মাজতে সেইসকল লোকৰ মাজত ৰাজনৈতিক দলৰ আঁহ ফলা ৰাজনীতিৰ হেঁচা পৰিল। তদুপৰি একাংশ লোকৰ মাজত ধৰ্ম প্ৰচাৰৰ নামত কিছুমান ধৰ্ম-প্ৰচাৰকে বিভ্ৰান্তিৰ সৃষ্টি কৰে বুলিও সন্দেহ হয়। ভাষিক আৰু ধৰ্মীয় সম্প্ৰসাৰণবাদৰ স্বাৰ্থত এই অঞ্চলত নহ'বলগীয়া বহুতো প্ৰৰোচনামূলক কাম হৈ আছে কাৰণেও জটিলতা বাঢ়িছে।

জনজাতীয় লোকৰ প্ৰগতিৰ বাবে স্বাভাৱিকতে জাগি উঠা সচেতনতাক বিভ্ৰান্ত কৰিবৰ বাবে চেষ্টা চলোৱা সকলে সুৰুঙা বিচাৰি পাইছে-জনজাতীয় লোকৰ কেতবোৰ অসন্তুষ্টিৰ মাজত। আগতেই কৈ অহা হৈছে যে আমাৰ সংবিধানে অৰ্থনৈতিক স্থিতাৱস্থাৰ ভেটি লৰোৱাৰ কাৰ্যকৰী উপায় নিদিয়াৰ বাবেই অনগ্ৰসৰ শ্ৰেণীৰ উন্নয়ন সম্ভৱপৰ হোৱা নাই। জনজাতীয় লোকৰ ক্ষেত্ৰতো সেয়ে হৈছে। সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰত থকা প্ৰত্যক্ষ আৰু পৰোক্ষ ধৰণৰ শোষণৰ পৰা এইসকল লোক সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই। মাটিৰ সমস্যাটো এটা বিশেষ সমস্যা হৈ পৰিছে। ইতিমধ্যে শোষণৰ বলি হৈ যিসকল মাটিৰ পৰা বঞ্চিত হ'ল, সেই সকলৰ উপৰিও মাটি থকা সকলৰ ওপৰতো হেঁচা বাঢ়িল—প্ৰব্ৰজনৰ কাৰণে। আনকি ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটিও সেই সকলৰ হাতত নথকা হ'ল। ইপিনে কেন্দ্ৰীয় চৰকাৰৰে হওক বা ৰাজ্য চৰকাৰৰে হওক—যি চৰকাৰী প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন হয় প্ৰায়ে তেনে মাটি জনজাতীয় বসতিপ্ৰধান অঞ্চলতে

অধিগ্ৰহণ কৰা হয়। আপেক্ষিকভাৱে অনগ্ৰসৰ হৈ থকা কাৰণে তেনে অঞ্চলৰ মাটিৰ ক্ষেত্ৰত দিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ কমিব বুলিয়েই এনে ব্যৱস্থা লয় যদিও তাৰ পৰিণতি ভয়ংকৰ হৈ পৰে। কিয়নো বিকল্প স্বৰূপে তেওঁলোকক যি মাটি দিয়া হয়, সেই মাটি প্ৰায়ে সম্পূৰ্ণভাৱে উপযোগী নহয়।

অৱশ্যে জনজাতীয় লোকৰ একাংশৰ নিজৰ ভুলৰ বাবেও মাটিৰ কাৰণে তেওঁলোকৰ মাজত এতিয়া হাঁহাকাৰ লাগিছে। জনজাতীয় লোকৰ বুজন ভাগ এটাই মাছ মৰা, খৰি লোৱাৰ সুবিধা হেৰাই যোৱা অঞ্চলৰ পৰা মাটি এৰি আন ঠাইলৈ উঠি যোৱা অভ্যাসৰ বিৰুদ্ধে জনজাতীয় নেতৃত্বৰ তৰফৰ পৰাই জনজাতীয় লোকক বুজোৱাৰ বাবে প্ৰৱল অভিযান চলাব লাগিছিল যদিও সেয়া হোৱা নাই। মাটি ওলাই নেথাকে—ভৱিষ্যতৰ গুৰুতৰ বিপদৰ কথা সঁকিয়াই দি জনজাতীয় লোকক এনে অভ্যাস পৰিহাৰ কৰোৱাবই লাগিব।

মাটিৰ বাহিৰেও নিৰ্বাচনৰ বাবে সংৰক্ষিত সমষ্টি নিৰূপণ কৰিবৰ বেলিকা জনজাতীয় অঞ্চল নিৰ্দ্ধাৰণ কৰোতে জনজাতীয় স্বাৰ্থ হানি কৰা, আমোলা-তান্ত্ৰিক মেৰপাক আৰু দুৰ্নীতিৰ কৱলত পৰি হাৰাশাস্তি হোৱা—ইত্যাদি ধৰণৰ ক্ষোভো আছে। তদুপৰি একাংশ অজনজাতীয় লোকৰ ৰক্ষণশীল মনোভাৱৰ বীজ এতিয়াও নমৰা বাবেও কেতবোৰ সমস্যাৰ সৃষ্টি হৈছে—যাৰ ফলত জনজাতীয় লোকৰ মনত ক্ষোভৰ সৃষ্টি হৈছে।

কিন্তু এই ক্ষোভৰ সুবিধা লৈ জনজাতীয় লোকক বিপথে নিয়াৰ চেষ্টা কৰাটো অতিশয় পৰিতাপৰ বিষয়। অসমীয়া জাতি গঠনৰ গোটেই প্ৰক্ৰিয়া-টোৰ ওপৰত হেঁচা প্ৰয়োগ কৰি সাতামপুৰুষীয়া সংহতি বিনষ্ট কৰিলে বিষ-বৃক্ষ ৰোপন কৰাহে হ'ব। অসমীয়া ভাষা-সংস্কৃতিৰ আধাৰ জনজাতীয়-অজনজাতীয় আদান-প্ৰদান তথা সংহতিৰ পৰিণতি। এই সত্য অস্বীকাৰ কৰাৰ অৰ্থ নিজকেই অস্বীকাৰ কৰা।

মূল প্ৰবাহৰ পৰা ফালৰি কাটি বিচ্ছিন্নভাৱে কোনো তিষ্ঠিব নোৱাৰে। তাৰ দ্বাৰা নিজক আৰু পাচ পেলাই থোৱাহে হ'ব। জনজাতীয় ভাষা আমাৰ খিলঞ্জীয়া ভাষা—এইবোৰ ভাষাৰ উদ্‌গতিৰ বাবে অসম সাহিত্য সভা, অসম আৰু কেন্দ্ৰীয় চৰকাৰ আমাৰ সংবিধান মতেই দায়বদ্ধ। এটা পৰ্যায়-

লৈকে জনজাতীয় ভাষাত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবই লাগিব। কিন্তু ব্যৱহাৰিক চাহিদাৰ ফালৰ পৰাই এটা পৰ্যায়ৰ পৰা আঞ্চলিক তথা চৰকাৰী ভাষা প্ৰয়োগ কৰাটো নিতান্ত প্ৰয়োজনীয়। দেশৰ মাত্ৰ ২ শতাংশ লোকে ইংৰাজী জনা সত্বেও ইংৰাজী ভাষা আমাৰ দেশৰ সকলো ক্ষেত্ৰতে প্ৰচলন কৰা হৈছিল। এতিয়া হিন্দীকো আমাৰ ৰাষ্ট্ৰৰ ভাষাৰূপে গ্ৰহণ কৰা হৈছে। দেশৰ বুজন অংশৰ লোকে হিন্দী নজনা সত্বেও আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থতে আমি মুকলি মনেৰে হিন্দীক এনে মৰ্য্যাদা দিছো।

কোঠাৰী আয়োগকে ধৰি বিভিন্ন শিক্ষা আয়োগ, ৰাষ্ট্ৰীয় সংহতি পৰিষদ আদিয়ে যি ব্যৱস্থা দিছে, কেন্দ্ৰীয় চৰকাৰে যি নীতি গ্ৰহণ কৰিছে আৰু ভাৰতৰ বিভিন্ন ৰাজ্যত যি নীতি কাৰ্যকৰী কৰিছে—সেই মতেই অসমতো অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আৰু অসমীয়া বিষয়টো অৱশ্যে পঢ়িবলগীয়া বিষয় ৰূপে প্ৰৱৰ্তন কৰাৰ ব্যৱস্থা কৰাটো অপৰাধ নহয়। অলপ সহনশীলতা, অলপ বুজাবুজিয়েই এই ক্ষেত্ৰত পথ সুগম কৰিব বুলি আমি এতিয়াও বিশ্বাস ৰাখিছো। সেইদৰে ৰাজ্যভাষা প্ৰৱৰ্তনৰ ক্ষেত্ৰতো চক খাবলগীয়া কথা নাই বুলিয়েই আমাৰ বিশ্বাস। দেশৰ বিভিন্ন ৰাজ্যত আঞ্চলিক ভাষাকৰাজ্যভাষা ৰূপে গ্ৰহণ কৰাৰ পিচত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া ৰাজ্যভাষা প্ৰয়োগ কমিটীয়েও আঞ্চলিক ভাষাক ৰাজ্যভাষা ৰূপে প্ৰয়োগ কৰাৰ ব্যৱস্থা শীঘ্ৰে সম্পূৰ্ণ কৰি তোলাৰ বাবে তাগাদা দিয়ে।

অসমৰ সকলোৰে স্বাৰ্থত আঞ্চলিক ভাষাক ৰাজ্যভাষা ৰূপে সকলোৱে ব্যৱহাৰ কৰা উচিত আৰু সেই বিষয়ত অৰ্হতা অৰ্জাৰ স্বাৰ্থতে অসমীয়া বিষয়টোও বিদ্যালয়ত অধ্যয়ন কৰিব লাগে। তাকে কৰিলে জনজাতীয় ভাষাকে ধৰি আন কোনো ভাষা ক্ষতিগ্ৰস্ত হ'ব বুলি ভবাৰ কাৰণ নাই। সেয়ে হোৱা হ'লে ইংৰাজীয়ে কেতিয়াবাই ভাৰতীয় ভাষাবোৰক উৎখাত কৰিলেহেঁতেন আৰু হিন্দীয়েও অন্যান্য ভাৰতীয় ভাষাবোৰক বিপন্ন কৰিলে-হেঁতেন। আচৰিত কথা যে অসমৰ বাহিৰতো অসমীয়া ভাষাৰ সন্দৰ্ভত যি খলকনি উঠিছে, কেন্দ্ৰীয় চৰকাৰে নৱোদয় বিদ্যালয়ত মাত্ৰ হিন্দী আৰু ইংৰাজী ভাষাকহে এটা পৰ্যায়ৰ পৰা আচুতীয়াভাৱে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লোৱাত কিন্তু তাৰ শতাংশ প্ৰতিবাদৰ খলকনিও উঠা নাই। ত্ৰিপুৰাৰ খিলঞ্জীয়া জনজাতীয় লোক সংখ্যাগৰিষ্ঠৰ স্থিতিৰ পৰা নামি সংখ্যালঘিষ্ঠ

হোৱা (মুঠ জনসংখ্যাৰ ২৯ শতাংশতকৈয়ো কম) আৰু ত্ৰিপুৰাৰ খিলঞ্জীয়া জনজাতীয় ভাষাৰ বিলুপ্তি ঘটা সত্ত্বেও প্ৰতিবাদ হোৱা নাই। অসমৰে ডিমাচাসকলৰ মাজত বাংলা ভাষা শিক্ষাৰ মাধ্যম হোৱাতো প্ৰতিবাদ হোৱা নাই।

জনজাতীয় ৰাইজক ক্ষুদ্ৰ ক্ষুদ্ৰ পৃথক গোটত আচুতীয়া কৰি ৰখাৰ চেষ্টা কৰিলে জনজাতীয় লোকৰ স্বাৰ্থহে হানি হ'ব। ৰাজনৈতিক আৰু অন্যান্য ধৰণৰ প্ৰৰোচনাৰ পৰা মুক্ত হ'লে সেইসকল লোকে নিশ্চয় উপলব্ধি কৰিব যে জনজাতীয় লোকৰ স্বাৰ্থতে তেওঁলোক মূল প্ৰবাহৰ লগত থকা উচিত। আনহাতে শিক্ষাৰ স্বাৰ্থতে এটা পৰ্যায়ৰ পৰা অসমীয়া ভাষাক সামৰি লোৱা উচিত। আমি জানো যে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰি লোৱাৰ মূৰত উপযুক্ত কিতাপৰ অভাৱ মোচন কৰাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলায়ো ইপ্সিত লক্ষ্যত উপনীত হ'বগৈ পৰা নাই। এই লক্ষ্যৰ পৰা আমি যিমানে পাচ পৰি থাকো, সিমানে শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰতো আমি পাচ পৰি থাকিম। জনজাতীয় ভাষা সমূহ এই ক্ষেত্ৰত আৰু বেছি বাধাগ্ৰস্ত হ'ব আৰু সেই অনুক্ৰমে সেইসকল লোক শিক্ষাৰ ক্ষেত্ৰত আৰু পাচ পৰি থাকিব। যিহেতু বিভিন্ন জনজাতীয় ভাষাৰ ক্ষেত্ৰত জনজাতীয় লোকসকলে স্বকীয়া লিপি বাছি লৈছে, তাৰ ফলত অসমীয়া কিতাপ-পত্ৰৰ লগত থকা শেষ সংযোগো বিচ্ছিন্ন হ'ব। এনে অৱস্থাত জনজাতীয় ভাষাভাষীসকলে নিজৰ চাহিদা শীঘ্ৰে পূৰণ কৰিব কেনেকৈ? কিতাপ প্ৰকাশ কৰাৰ বেলিকাও সমস্যাৰ স্বষ্টি হ'ব বুলি ধাৰণা হয়। অসমীয়া কিতাপৰ পঢ়ুৱৈ কম—কিয়নো কিতাপ পঢ়াৰ অভ্যাস কম। সেইদেখি প্ৰকাশকসকলে এঙাই দেখুৱায়। ঘাইকৈ গল্প-উপন্যাসহে প্ৰকাশ কৰে। ফলত প্ৰয়োজনীয় কিতাপৰ প্ৰকাশকৰ অভাৱত আমি ভুগি আছো। এনে অৱস্থাই উৎকট ৰূপত জনজাতীয় ভাষাৰ কিতাপৰ ক্ষেত্ৰত দেখা নিদিবনে? বিজ্ঞান আদি বিষয়ৰ যিবোৰ কিতাপৰ নিতান্ত প্ৰয়োজন হ'ব, সেইবোৰ কিতাপ প্ৰকাশ কৰিবলৈ কিমান প্ৰকাশক আগবাঢ়ি আহিব? অৱশ্যে চৰকাৰে কিছুমান পাঠ্যপুথি উলিয়াই দিব। কিন্তু অকল সেয়ে অভাৱ পূৰণ নকৰে।

তদুপৰি আৰু এটা বিষয়লৈ কাণ কৰা উচিত হ'ব। প্ৰযুক্তি বিদ্যাই কি বিৰাট পৰিবৰ্তন কঢ়িয়াই আনিছে, তালৈ আমি আওকাণ কৰি থাকিব

নোৱাৰো। কম্পিউটাৰৰ যুগত নানান পৰিবৰ্তন ঘটিব লাগিছে। টেলি-প্ৰিণ্টাৰ, টেলেক্স আদিৰ ক্ষেত্ৰত বৰ্ণমালাৰ বেলিকা নতুন চাহিদাৰ সৃষ্টি হৈছে। ইতিমধ্যে পশ্চিম বঙ্গ এই ক্ষেত্ৰত সচেতন হোৱা দেখা গৈছে। টেলিপ্ৰিন্টাৰ, টেলেক্সৰ বাবে বৰ্ণমালাৰ আৰু বানানৰ সংস্কাৰৰ বাবে পশ্চিম বঙ্গই উদ্যম হাতত লৈছে। কম্পিউটাৰৰ বাবে সুবিধা হোৱাকৈ "কী বৰ্ড" যুগুতোৱাৰ প্ৰচেষ্টা চলিছে। সংস্কাৰৰ দ্বাৰা বাংলা বৰ্ণমালা সংক্ষিপ্ত কৰাৰ লক্ষ্য হাতত লোৱা হৈছে। যিহেতু এই ক্ষেত্ৰত যান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োজন হ'ব, সেইদেখি জাপানৰ সহযোগিতাত এই কামত আগ-বাঢ়িছে। এই দূৰদৃষ্টিসম্পন্ন ব্যৱস্থা সমূহে আমাকো বাট দেখুৱাই দিব লাগে। যিহেতু যন্ত্ৰ উৎপাদনৰ কথা ইয়াত নিহিত আছে, সেই কাৰণে ব্যৱসায়িক দিশৰ কথাও মনত ৰখা উচিত হ'ব। ব্যৱসায়ীয়ে ব্যৱসায়িক দিশৰ প্ৰতি লক্ষ্য ৰাখিহে যন্ত্ৰ উৎপন্ন কৰিব। নিচেই তাকৰীয়া চাহিদা পূৰণ কৰাৰ বাবে আগবাঢ়ি নহাৰ ফলত এসময়ত সেয়ে সংকটৰ সৃষ্টি কৰিব।

এতিয়া ৰাজনীতিৰ প্ৰৰোচনাত কোনো জনজাতীয় গোষ্ঠীয়ে ইংৰাজীকে গ্ৰহণ কৰাৰ জিদ ধৰিলে বাস্তৱক অস্বীকাৰ কৰাহে হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী বিষয়ত কিমান জনজাতীয় ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নহয়, তাৰ তুলনামূলক বিচাৰ ল'লেই বুজা যাব যে তেওঁলোকৰ প্ৰতি ৰাজনীতিয়ে অবিচাৰহে কৰিছে। এচাম ছাত্ৰ মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰি ইংৰাজীৰ হেঙাৰ সৰকি যাব নোৱাৰি স্নাতক নোহোৱা বাবে নিযুক্তিৰ বজাৰত বাধাগ্ৰস্ত হোৱা আৰু সেই একে মেধাসম্পন্ন আন এচাম ছাত্ৰ ইংৰাজীৰ হেঙাৰ নথকা বাবে নিযুক্তি লাভ কৰি সংস্থাপিত হোৱাৰ নিচিনা ঘটনাই জনজাতীয় লোকৰ স্বাৰ্থতহে আঘাত হানিছে।

সেইবুলি জনজাতীয় সকলৰ অসন্তুষ্টি অগ্ৰাহ্য কৰাৰ নিদান ইয়াত দিয়াৰ ধৃষ্টতা দেখুওৱা নাই। অসন্তুষ্টি দূৰ কৰি ৰাজনীতিৰ চৰণীয়া পথাৰখনকে উচ্ছেদ কৰাৰ কথাহে কোৱা হৈছে। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বৈপ্লৱিক ধৰণৰ সংস্কাৰ সাধি জনজাতীয় ৰাইজক সকলো ধৰণৰ শোষণৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা হ'ব লাগে। তেওঁলোকৰ বাবে যুগুত কৰা পৰি-কল্পনাৰ আমূল পৰিবৰ্তন হ'ব লাগে। জনজাতীয় লোকৰ মাটি সংৰক্ষণৰ বাবে কঠোৰ ব্যৱস্থা অবিলম্বে হাতত ল'ব লাগে; আনকি মাটিৰ ক্ষেত্ৰত ইতিমধ্যে জনজাতীয় লোকৰ প্ৰতি হোৱা অবিচাৰৰো প্ৰতিকাৰ হ'ব লাগে।

সেইবুলি তেওঁলোকক আচুতীয়াকৈ ৰখাৰ পোষকতা আমি নকৰো। জনজাতীয় ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণ কৰাৰ বাবে সৰ্বোচ্চ পৰিমাণৰ সাহায্য বিভিন্ন ধৰণেৰে দিয়ক। কিন্তু জনজাতীয়ৰ বাবে স্বকীয়া ছাত্ৰাবাস পতা, জনজাতীয় চাকৰিয়ালৰ বাবে স্বকীয়া সংগঠন পতা, জনজাতীয় খেলুৱৈৰ বাবে পৃথক ক্ৰীড়ানুষ্ঠান পতাৰ নিচিনা আত্মঘাতী প্ৰচেষ্টাৰ পৰা বিৰত থাকক-সকাতৰে এই মিনতিহে জনাইছো। এই চামনিখন আঁতৰিলেই দৃষ্টিও মুকলি হ'ব। ভাষাৰ প্ৰশ্নটোও সহজ হ'ব। ৰাজ্য ভাষা আৰু শিক্ষাৰ মাধ্যম লাগে—প্ৰশাসন আৰু শিক্ষাৰ স্বাৰ্থতে।

প্ৰাথমিক পৰ্যায়ত নিজৰ মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াৰ বিধান চৰকাৰে কাৰ্যকৰী কৰিছে। এই ব্যৱস্থা ফলৱতী কৰাৰ বাবে চৰকাৰৰ তৰফৰ পৰা সকলো ব্যৱস্থা শীঘ্ৰে সম্পূৰ্ণ কৰিব লাগে। অৱশ্যে এইখিনিতে এটা কথা উঠিব। নিচেই কম সংখ্যক লোক থাকিলেও তেনে ভাষাভাষী লোকৰ কাৰণেও প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব নেকি ? এই ক্ষেত্ৰত এটা নিম্নতম সীমা বান্ধি দিয়াৰ প্ৰয়োজন হ'ব নেকি, সেই কথাৰ বিচাৰ ল'ব লাগে। ব্যৱহাৰিক ক্ষেত্ৰত হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে এইটো প্ৰশ্ন তোলা হৈছে। বিভিন্ন ভাষাত প্ৰাথমিক পৰ্যায়ত শিক্ষা দিয়াৰ ফলত নানান ভাষাৰ পাঠ্যপুথি চৰকাৰে উলিয়াব লগা হৈছে। সেইদৰে ভাগে ভাগে প্ৰশ্নকাকত উলিয়াই বিভিন্ন ভাষাভাষী পৰীক্ষক নিয়োগ কৰিবলগীয়া হোৱাকে ধৰি বিবিধ কাম হাতত ল'বলগীয়া হৈছে। ফলত প্ৰাথমিক পৰীক্ষা লোৱাটো ব্যয়বহুল হৈ পৰিছে। সেইদেখি ব্যৱহাৰিক ক্ষেত্ৰত অৰ্থ সমস্যাকে ধৰি কেতবোৰ সমস্যাই দেখা দিব পাৰে। ইতিমধ্যে পশ্চিম বঙ্গ চৰকাৰে মাধ্যমিক পৰ্যায়ত এনে কেতবোৰ সমস্যাৰ সন্মুখীন হৈ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নিৰ্দিষ্ট কেইটামান ভাষাতহে উত্তৰ-কাকত লিখিব পাৰিব বুলি নিৰ্দেশ দিবলগীয়া হৈছে।

মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে স্বীকৃত হোৱা নীতিহে অনুসৰণ কৰিব লাগিব। প্ৰাথমিক পৰ্যায়ত মাতৃভাষাত শিক্ষা দিলে মাধ্যমিক পৰ্যায়তো সেই ভাষাকে মাধ্যম কৰি লোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱা বুলি যদি গণ্য কৰা হয়, তেন্তে গোটেই শিক্ষা-নীতিকে উলংঘা কৰাৰ তুল্য হ'ব। মাধ্যমিক পৰ্যায়ত নিশ্চিতভাৱে এটা স্তৰৰ পৰা আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হ'ব

লাগিব। এই কথা লৈ যি বিৰোধৰ সৃষ্টি হৈছে, তাক দূৰ কৰাৰ বাবে প্ৰয়োজন হ'লে আমাৰ এই অঞ্চলত চাৰি ভাষাৰ সূত্ৰ গ্ৰহণ কৰিবলৈকো আগবাঢ়িব লাগে।

**সহযোগী ভাষা :** বড়ো ভাষাক সহযোগী ভাষা ৰূপে পূৰ্বৰ ৰাজ্য চৰকাৰে হঠাৎ ঘোষণা কৰিলে। ৰাজ্যভাষা আইনত সহযোগী ভাষাৰ কোনো ব্যাখ্যা নাই ; কেন্দ্ৰৰ ভাষা নীতিতো তেনে কোনো ব্যৱস্থা নাই। তদুপৰি সহযোগ থাকিলেহে সহযোগী আখ্যা দিব পাৰি। বড়ো ভাষাভাষী একাংশ লোকে এতিয়া অসমীয়া ভাষাৰ লগত হেঁাকা-পানী নিষেধ কৰিবলৈ লোৱাৰ পৰত 'সহযোগী ভাষা' কথাষাৰ খাপ নোখোৱা ধৰণৰ হৈছে। তথাপি খিলঞ্জীয়া বড়ো ভাষা আৰু বড়ো সংস্কৃতিৰ লগত থকা আমাৰ ঘনিষ্ঠ সমন্ধৰ প্ৰতি শ্ৰদ্ধা জনাই—অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৩·৬৫ ভাগ (১৯৭১ চনৰ পিয়লৰ মতে) লোক বড়ো ভাষাভাষী হোৱা সত্বেও ইতিমধ্যে আগৰ চৰকাৰে স্বীকৃতি দিয়া সহযোগী ভাষাৰ মৰ্য্যাদা বড়ো ভাষাভাষী লোক সংখ্যাগৰিষ্ঠ ৰূপে থকা জিলা আৰু মহকুমাত পূৰ্ণাঙ্গভাৱে কাৰ্যকৰী কৰি সহযোগিতাৰ হাত আগবঢ়াব লাগে। অৱশ্যে ইয়াকে উদাহৰণ ৰূপে গ্ৰহণ কৰি অন্যান্য ভাষাৰ ক্ষেত্ৰতো তাকে কৰাৰ বাট মুকলি কৰিব নেলাগে।

**পৃথক গোট :** সুকীয়া ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠনে জনজাতীয় ৰাইজক সকলো সমস্যাৰ পৰা মুক্ত কৰিব পাৰিব বুলি বিশ্বাস কৰিব পাৰি জানো ? সেয়ে হোৱা হ'লে মেঘালয়, অৰুণাচল প্ৰদেশ, নগালেণ্ড আদিত আজি একো লেঠাই নেথাকিলহেঁতেন। অসমৰ খণ্ডিতকৰণৰ সময়ত অসমীয়া মানুহ আৰু অসমীয়া ভাষাক অন্যতম ঘাই 'আচামী' পতা হৈছিল। কিন্তু আজিহে মেঘালয়ে অস্তিত্বৰ আচল বিকাৰত ভুগিব লগীয়া হৈছে, অৰ্থনৈতিক স্থিতি লাভ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈ অৰ্থনৈতিক কৰ্তৃত্ব আনৰ হাতত এৰি দিব-লগীয়া হৈছে। সুকীয়া ৰাজ্য গঠিত হোৱাৰ মূৰতো মেঘালয়ত কিয় বিধান সভাৰ ৬০খন আসনৰ ভিতৰত ৫৫ খন আৰু নগালেণ্ডতো ডিমাপুৰ সমষ্টিৰ বাহিৰে আন সকলোবোৰ আসন জনজাতীয়ৰ বাবে সংৰক্ষিত কৰি ৰাখিব লগীয়া হ'ল ? সেইবোৰ ৰাজ্যলৈ যোৱা বিপুল সংখ্যক অজনজাতীয় লোকৰ হেঁচাৰ পৰিচয়কে ইয়াৰ মাজত পোৱা নাইনে ? এইদৰে সংৰক্ষণৰ মাজতে সংৰক্ষণ কৰি আৰু বিপুল সংখ্যক অজনজাতীয় লোকক স্থায়ীভাৱে

দ্বিতীয় শ্ৰেণীৰ নাগৰিক কৰি ভৱিষ্যতৰ বাবে আমি কি পৰিণতি সাঁচি থৈছো ? আজি যদি অসমৰ কোনো অঞ্চলত স্বকীয়া জনজাতীয় ৰাজ্য নতুনকৈ গঠন কৰা হয়, তেন্তে সংশ্লিষ্ট জনজাতীয় লোকসকল নিষ্কণ্টক হ'বনে ? অজনজাতীয় লোকৰ হেঁচাৰ পৰা ৰক্ষা পৰিবলৈ তাতো এদিন বিধান সভাৰ আসন সংৰক্ষিত কৰি ৰাখি সংৰক্ষণৰ মাজতে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব আৰু তাত থকা অজনজাতীয় সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক পাতি আগ্নেয়গিৰি ৰচনা কৰিব লগীয়া হ'ব। বিচ্ছিন্ন অৱস্থা এটাৰ মাজত সোমালে অৰ্থনৈতিক শোষণো বাঢ়িব। আনহাতে সিঁচৰতি হৈ থকা জনজাতীয় ৰাইজক সামৰি এখন জনজাতীয় ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠন কৰাটো সম্ভৱো নহ'ব। যাইকৈ অসমৰ উত্তৰ পাৰৰ বড়ো সকলক লৈ যি দাবী তোলা হৈছে, সেই দাবীয়ে দক্ষিণ পাৰৰ বড়ো সকলক খেঁপিয়াব নোৱাৰে। যুক্তি আৰু প্ৰতি-যুক্তিৰে আমি তিক্ততা বঢ়াই নেথাকি মেঘালয়লৈ চাওঁ—তাত কি পৰিস্থিতিৰ সৃষ্টি হৈছে। একেলগে থাকোতে যি পৰিস্থিতি হোৱা নাছিল, আজি সেই পৰিস্থিতিৰ সন্মুখীন হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো ৰাইজ। অৰুণাচল প্ৰদেশত জনজাতীয় ধাৰাটোৱেই বিলুপ্তিৰ পথলৈ আগবাঢ়িব খোজা যেন পৰিলক্ষিত হৈছে। বেনামী লাইচেন্স ব্যৱস্থাই অৰুণাচলৰ সমগ্ৰ অৰ্থনৈতিক শক্তি অ-জনজাতীয় লোকৰ হাতলৈ নিয়াৰ লগতে চাকৰি আদিতো প্ৰতিপত্তি বিস্তাৰ কৰিছে। যি নগা ৰাইজৰ মানৱীয় গুণে তেওঁলোকক আনৰ পৰা বেলেগ কৰি এটা বিশেষ আদৰণীয় স্থানত ৰাখিছিল, সেই বৈশিষ্ট্যহে নগালেণ্ডত প্ৰথম চিকাৰ হ'ল। অৰ্থনৈতিক শক্তি দখল কৰা অজনজাতীয় মহলৰ প্ৰভাৱ নগালেণ্ড ৰাজ্যই বঢ়াইহে দিলে আৰু সেই ক্ৰমবৰ্দ্ধমান শক্তিয়েই নগালেণ্ডত দুৰ্নীতিৰ পোহাৰ মেলি নগা ৰাইজৰ মাজত সোণ জিলিকাদি জিলিকি থকা মানৱীয় গুণকণৰ জেউতি নোহোৱা কৰিলে। আজি ডিমাপুৰে সমগ্ৰ নগালেণ্ডৰ অৰ্থনীতি-ৰাজনীতি হাতৰ মুঠিত ৰাখিব পাৰিছে কিয়, তাৰ বিচাৰ জনজাতীয় ৰাইজে লওক। অসমৰ বড়ো ৰাইজৰ মানবীয় গুণ আৰু শিল্পী মনো আমাৰ ডাঙৰ সম্পদ। সেই সম্পদ যাউতিযুগলৈ থাকক। ৰাজনীতিৰ খেলে যাতে নগালেণ্ডৰ তেনে সম্পদ নিঃশেষ কৰাৰ দৰে আমাৰ বড়ো সকলৰ সেইবোৰ সম্পদ নিঃশেষ কৰিব নোৱাৰে—তাকে আমি বিচাৰো।

খণ্ডৰ ভমকত স্থকীয়া ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল দাবী কৰোতা-সকলে এবাৰ এইবোৰ কথালৈ মন দিয়ক—এয়ে আমাৰ মিনতি। মনৰ হেঙাৰখন আঁতৰালে আমি সকলো মুকলি হৈ পৰিম—জনজাতীয় নেতৃত্বৰ বাবে স্থকীয়া ৰাজ্য নেলাগে। গণতান্ত্ৰিকভাৱেই তেওঁলোকে ৰাজ্যৰ নেতৃত্ব পাব পাৰে। তেনে গণতান্ত্ৰিক পৰিবেশ আমিয়েই ৰচনা কৰিব লাগিব। কথাই কথাই আঁহ ফলা বিচাৰ তথা বাছনি কৰা বাবেই আমি সেই লক্ষ্যৰ পৰা নিলগত আছো। তেনে গণচেতনা গঢ়াত আমাৰ জনজাতীয়-অজন-জাতীয় সকলো লোক সংগঠিত হোৱা উচিত।

**কাৰবি আংলং** : এই ক্ষেত্ৰত কাৰবি আংলং জিলাত চলা প্ৰৱল অসন্তোষৰ কথা উল্লেখ কৰিবই লাগিব। বিগত কালত স্থদীৰ্ঘ দিন ধৰি এই অঞ্চলৰ অৱস্থাৰ প্ৰতি চকু নিদিয়াৰ কাৰণেই এতিয়াৰ অসন্তুষ্টি ইমান প্ৰৱল হৈছে। ১৯৩৭ চনৰ পৰা কাৰবিসকলে এখন জিলা বিচাৰি দাবী জনোৱাৰ মূৰত ১৯৫১ চনতহে জিলা গঠন কৰা হয়। এসময়ত পাৰ্বত্য ৰাজ্যৰ দাবীৰ প্ৰতি সমৰ্থন নজনোৱা কাৰবি ৰাইজৰ মাজত এতিয়া তিক্ততাই ছাটি ধৰিছে। সেই অঞ্চললৈ বোৱা জনস্ৰোতে অঞ্চলটোৰ অৰ্থনৈতিক সামাজিক-ৰাজ-নৈতিক ক্ষেত্ৰত ডাঙৰ পৰিবৰ্তন ঘটালে। ১৯৫১-৬১ চনৰ ভিতৰত কাৰবি আংলং জিলাত (তেতিয়াৰ মিকিৰ পাহাৰ) জনসংখ্যা ৭৯·২১ শতাংশ বৃদ্ধি হয়। আনহাতে ১৯৬১-৭১ চনৰ ভিতৰত বৃদ্ধি হয় ৬৭·৫৯ শতাংশ। বিপৰ্যয় সদৃশ এনে বৃদ্ধিয়েও কিন্তু তেতিয়াৰ ৰাজ্য চৰকাৰসমূহক সচেতন কৰিব নোৱাৰিলে। যাইকৈ তেতিয়াৰ পূব পাকিস্তান আৰু এতিয়াৰ বাংলা-দেশৰ পৰাই এইবোৰ মানুহ আহে। অজনজাতীয় লোকসকলে তেওঁলোকৰ সংখ্যা বঢ়োৱাৰ লগতে তেওঁলোকৰ অৰ্থনৈতিক প্ৰতিপত্তিকে ধৰি সকলো প্ৰতিপত্তি বঢ়াই ল'লে। সংবিধানে দিয়া বিভিন্ন ৰক্ষাকৱচ থকা সত্বেও কাৰবি আংলঙত অজনজাতীয়ৰ প্ৰাধান্য বিস্তাৰ হোৱা দেখি এনেবোৰ ব্যৱস্থাৰ অসাৰ্থকতা সম্পৰ্কে নিশ্চিত ধাৰণা হৈছে। প্ৰব্ৰজনৰ ফলত হোৱা প্ৰৱল হেঁচাই যি অস্থৈৰ্যৰ সৃষ্টি কৰিলে তাক আঁৰ কৰিবৰ বাবেই প্ৰব্ৰজিত হৈ অহা সকলৰে একাংশই জনজাতীয় ৰাইজক বিভ্ৰান্ত কৰিবলৈ লয়। এই ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক স্বাৰ্থ লগ লগাত গোটেই কথাটোৰ পাক বাঢ়ি যায়।

কিন্তু ন্যস্ত স্বাৰ্থৰ প্ৰৰোচনাত পৰি ভুল পথেদি গ'লে কাৰবি ৰাইজেই আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হ'ব। এতিয়াই এইসকল ৰাইজ অভিমন্যুৰ বেহুত সোমাই পৰিছে আৰু তাৰ সুবিধা বহিৰাগত বিশেষ গোষ্ঠী এটাই গ্ৰহণ কৰিছে। কাৰবি আংলং পৃথক ৰাজ্য হ'লে বা কেন্দ্ৰীয় শাসিত অঞ্চল হ'লে কাৰবি ৰাইজেই সেই একে চাম লোকৰ অখণ্ড প্ৰতাপৰ অধীনত আৰু বাধাগ্ৰস্ত হ'ব। সেইদেখি অসমৰ অৱশিষ্ট অংশৰ লগত মনেৰে আৰু কাষ চাপি আহিহে সমস্যাৰ সমাধান বিচাৰিব লাগিব। লগতে সুদীৰ্ঘ কালৰ উপেক্ষাৰ প্ৰতিকাৰ কৰাৰ বাবে অসমৰ অৱশিষ্ট অংশৰ ৰাইজে কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ উন্নয়নৰ বাবে বিশেষ খৰতকীয়া ব্যৱস্থা লোৱাৰ বাবে দাবী তুলিব লাগিব। এই ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰৰ দায়িত্ব-সচেতনতাৰ পৰিচয় অসমৰ ৰাইজে শীঘ্ৰে পোৱা উচিত। শোষণমুক্ত কৰাৰ বাবে চোকা ব্যৱস্থাৰ প্ৰয়োজন ; মাটিৰ অধিকাৰৰ পৰা বঞ্চিত হোৱা কাৰবি ৰাইজক পুনৰ মাটিত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা হ'ব লাগিব। উল্লেখযোগ্য যে অজনজাতীয় লোকৰ হাতলৈ মাটি যাব নোৱাৰা ব্যৱস্থা থকা সত্বেও কাৰবি আংলং জিলাত অজনজাতীয় তথা নাগৰিকত্বৰ ক্ষেত্ৰত সন্দেহ থকা অলেখ লোক মাটিৰ গৰাকী হ'বপৰা কথাটোৱেই স্বায়ত্ত শাসনৰ সাম্প্ৰতিক ব্যৱস্থাই জনজাতীয় স্বাৰ্থ পূৰণ কৰিব নোৱাৰাৰ নিদৰ্শন দাঙি ধৰিছে। এই সকল ৰাইজৰ স্বাৰ্থ প্ৰকৃততে পূৰণ কৰাৰ অৰ্থে স্বায়ত্ত শাসিত জিলা হিচাপে থকা বিধি-ব্যৱস্থাবোৰৰ পৰিবৰ্তন সাধিব লাগে। সাম্প্ৰতিক ব্যৱস্থাই আমোলাতান্ত্ৰিক স্বেচ্ছাচাৰ, দুৰ্নীতি আৰু সংকুচিত ক্ষমতাৰ বাধাৰ বাবে ইপ্সিত ফল নিদিয়াৰ উপৰিও কাৰবি ৰাইজৰ স্বাৰ্থহে হানি কৰিছে। আনহাতে কাৰবি ভাষাৰ সমৃদ্ধিৰ বাবে চৰকাৰৰ তৰফৰ পৰা তৎকালেই ব্যৱস্থা হাতত ল'ব লাগে।

অনুৰূপ অৱস্থা উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলতো হৈছে। ব্যাপক প্ৰব্ৰজনে উত্তৰ কাছাৰৰ ডিমাচা আদি জনজাতীয় লোকসকলক বিপৰ্যস্ত কৰিছে। তাতো এতিয়া অজনজাতীয় লোকৰ প্ৰাধান্যই বিস্তাৰ লাভ কৰিছে। বুৰঞ্জীয়ে ৰিঙিয়াই থকা সম্পৰ্কৰ কথা পাহৰি যোৱা হ'ল। আজিও সেই অঞ্চলৰ শিলালিপিয়ে পূৰ্বৰ সম্পৰ্কৰ কথা বোবা বেদনাৰে প্ৰকাশ কৰি থকা সত্বেও উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলৰ প্ৰতি দেখুওৱা নিস্পৃহ মনোভাবৰ ফলতে

আজিৰ সমস্যাৰ উদ্ভৱ হৈছে। এই অৱহেলাৰ প্ৰায়শ্চিত্ত হ'ব লাগে। অঞ্চলটোৰ উন্নয়নৰ বাবে ব্যাপক ব্যৱস্থা হাতত লোৱাৰ উপৰিও ডিমাচা আদি জনজাতিক সুপ্ৰতিষ্ঠিত কৰা আৰু ডিমাচা ভাষাক ঠন ধৰাই তোলাৰ বাবে ব্যৱস্থা হাতত ল'ব লাগে।

**অন্যান্য জনজাতি** : মিচিং, ৰাভা আদি জনজাতীয় লোকৰ মাজতো ভাষাক কেন্দ্ৰ কৰিয়েই বিভিন্ন দাবী উঠিছে। স্বীকৃত ভাষা-নীতিৰ পৰিসীমাৰ ভিতৰত এইবোৰ ভাষাৰ উন্নয়নৰ বাবে লোৱা ব্যৱস্থাৰ প্ৰতি আমি সমৰ্থন জনাম। এইখিনিতে কৈ থ'ব পাৰি যে ভাষাক ৰাজনীতিৰ হাতিয়াৰ কৰি এটা সীমালৈহে আগুৱাব পাৰি। সেই সীমাৰ বাহিৰত বাস্তৱৰ কঠোৰতাই সংশ্লিষ্ট ৰাইজকহে আঘাত হানিব। এইসকল ৰাইজৰ সমস্যাৰ সমাধানৰ বাবে আন্তৰিক প্ৰচেষ্টা চলোৱাটোকে আমি বিচাৰো। ১৯৭১ চনৰ পিয়ল মতে ৰাজ্যৰ মুঠ জনসংখ্যাৰ তুলনাত মিচিং জনজাতীয় লোক শতকৰা ১·২১ ভাগ। অৱশ্যে তেতিয়াৰ অবিভক্ত ডিব্ৰুগড় জিলাত ১৭·৯৩ শতাংশ মিচিং লোক আছিল। স্বীকৃত ভাষা-নীতিৰ গাথনিৰ ভিত্তিতে সেই অঞ্চলত জিলা পৰ্যায়ত মিচিং ভাষাৰ সম্বৰ্দ্ধনৰ বিশেষ ব্যৱস্থা কৰাৰ আমি বিৰোধিতা নকৰো।

**চাহ শ্ৰমিক** : সম্প্ৰতি চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজতো বিভিন্ন দাবী উত্থাপিত হৈছে। বৃটিছৰ যুগত চাহ শ্ৰমিক সকলক বিচ্ছিন্ন কৰি ৰখা হ'ল। কিন্তু স্বাধীনতাৰ পিচত চাহ শ্ৰমিকসকলৰ অৱস্থাৰ পৰিবৰ্তন ঘটোৱা হ'ল যদিও অসমৰ নেতৃত্বই মূল প্ৰবাহৰ মাজলৈ সেইসকলক অনাৰ বাবে কোনো উল্লেখযোগ্য পদক্ষেপ লোৱা দেখা নগ'ল। অৱশ্যে একাংশ চাহ শ্ৰমিকে নিজাববীয়াকৈ মূল প্ৰবাহৰ মাজত প্ৰবেশ কৰিলে। চৰকাৰী প্ৰচেষ্টা বা সচেতন জনমতৰ প্ৰচেষ্টা এই ক্ষেত্ৰত নিচেই দুৰ্বল বুলিহে ক'ব লাগিব। শিক্ষাৰ প্ৰসাৰৰ বাবেও যি চেষ্টা ল'ব লাগিছিল, সেই চেষ্টা পূৰ্বতে লোৱা নহ'ল। এতিয়াৰ নতুন চৰকাৰেহে চাহ বাগিচাৰ স্কুল চৰকাৰৰ অধীনলৈ নিয়াৰ দায়িত্ব লৈ এটা সবল খোজ পেলাইছে। প্ৰাক্তন চাহ বনুৱাক মাটি দিয়া, চাহ বনুৱাৰ পৰিয়ালৰ মানুহক চাকৰি, বৃত্তি, ব্যৱসায়ৰ সুবিধা দিয়াৰ ক্ষেত্ৰত যি পৰিকল্পিত ব্যৱস্থা হাতত ল'ব লাগিছিল, তেনে ব্যৱস্থাও আগতে কৰা নহ'ল—অৱশ্যে খুচুৰা ভিত্তিত কৰাটো বেলেগ কথা।

চাহ শ্ৰমিকৰ মনৰ তিক্ততাৰ সুযোগ লৈ কিছুমানে ৰাজনীতি খেলাটো পৰিলক্ষিত হৈছে। সম্প্ৰতি অসমৰ কেতবোৰ চাহ বাগিচা বিশেষ কিছুমান লোকৰ হাতলৈ গৈছে। তাৰে কিছুমান চাহখেতিৰ বাবে সম্পূৰ্ণ নবাগত—চাহ উদ্যোগতকৈ আন উদ্যোগৰ লগতহে তেওঁলোক বেছিকৈ জড়িত। এইবোৰ পৰিবৰ্তনে চাহ উদ্যোগৰ ক্ষেত্ৰত কেতবোৰ সালসলনি ঘটোৱাৰ লগতে চাহ বাগিচাৰ নিয়োগ-নীতিৰো পৰিবৰ্তন সাধিছে। এতিয়া বহুতো চাহ বাগিচাৰ নিযুক্তি থলুৱা স্বাথৰ পৰিপন্থী হোৱাৰ লগে লগে কেতবোৰ চাহ বাগিচাৰ পৰিবেশো সলনি হৈছে। তেনে পটভূমিত চাহ শ্ৰমিকৰ একাংশৰ মাজতো বিৰূপ মনোভাৱ দেখা গৈছে। তাৰ লগতে ৰাজনীতি, ধৰ্মান্তৰকৰণৰ ফলত হোৱা পৰিবৰ্তিত পৰিবেশ আদিয়েও পৰিস্থিতিৰ মাজলৈ জটিলতা কঢ়িয়াই আনিছে।

চাহ শ্ৰমিকৰ মাজত সোমোৱা ভুল ধাৰণা দূৰ কৰা আৰু চাহ শ্ৰমিকে যাতে প্ৰাপ্য সা-সুবিধা পায় তাৰ বাবে সমবেত উদ্যম হাতত লোৱাটো প্ৰয়োজনীয়। অসমৰ চাহ বাগিচাসমূহত দেশৰ বিভিন্ন অঞ্চলৰ পৰা অহা লোক আছে। সেইসকলক অনুসূচিত জনজাতিৰ পৰ্যায়ত ধৰাৰ বাবে এতিয়া দাবী উঠিছে। সম্প্ৰতি সংৰক্ষণৰ বাবে যি দাবীৰ জোৱাৰ উঠিছে, সেই জোৱাৰে চাহ শ্ৰমিককো প্লাৱিত কৰিছে। বিভিন্ন লোক সমষ্টিৰ পৰা সংৰক্ষণৰ এনে দাবী উঠিছে। সংৰক্ষণে যাদুকৰৰ প্ৰভাৱেৰে সংৰক্ষিত লোকৰ যে প্ৰকৃত উপকাৰ সধা নাই—সেইকথা স্বীকাৰ কৰিব লাগিব। তথাপি ৰাজনৈতিক কাৰণত এই প্ৰসঙ্গই প্ৰাধান্য পাইছে আৰু লগতে এটা গোঁজ পোতা স্বাৰ্থয়ো গঢ় লৈছে। আন আন ৰাজ্যত সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত হোৱা সম্প্ৰদায়ৰ কিছুমান লোকে অসমৰ চাহ বাগিচাত কাম কৰি আছে। সেইসকল লোকৰ বাবে অসমতো সংৰক্ষিত তালিকাৰ অন্তৰ্ভুক্তি বিচৰা হৈছে। পিচে সেই তালিকাৰ ভিতৰত থকা আন ৰাজ্যৰ লোক সকলতকৈ অসমত থকা সকল ইতিমধ্যে উন্নত পৰ্যায়ত আছে। আনহাতে অসমৰ চাহ শ্ৰমিকৰ এটা অংশ খৃষ্টান ধৰ্মত ইতিমধ্যে দীক্ষিত হৈছে—ধৰ্মান্তৰ গ্ৰহণ কৰাসকল অনুসূচিত জনজাতিৰ তালিকাভুক্ত হোৱাৰ থলো নেথাকিব। যদি ৰাজনৈতিক হেঁচাত চাহ শ্ৰমিকৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা কৰিবলগীয়া হয়গৈ, তেন্তে চাহ শ্ৰমিককো আচুতীয়া কৰি ৰখাৰ প্ৰক্ৰিয়াহে

কাৰ্যতঃ আৰম্ভ হ'ব। সেইদেখি এই ক্ষেত্ৰত সতৰ্কতাৰ প্ৰয়োজন। যদি নিতান্ত কিবা কৰিবলগীয়া হয়, তেন্তে আনআন ৰাজ্যত সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত হোৱা সম্প্ৰদায়বোৰৰ যিসকল অসমৰ চাহ বাগিচাত আছে, তেওঁলোকৰ জনসংখ্যাৰ নিম্নতম সংখ্যা এটা বান্ধি দি সেই সংখ্যাৰ বা ততোধিক লোক থকা সকলৰ বেলিকাহে এনে ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিব পাৰি।

বৰাক উপত্যকা : অসম সাহিত্য সভাৰ অধিবেশন বৰাক উপত্যকাত পতাৰ ক্ষেত্ৰত যিসকলে সহজ দৃষ্টিৰে কথাটোলৈ লক্ষ্য কৰিব পৰা নাই, সেইসকলৰ সৰহ ভাগেই সেই উপত্যকালৈ নতুনকৈ অহা লোক। অসমৰ বুৰঞ্জীৰ উম সেইসকলে পোৱা নাই। সেইসকলে কথাটো সহজভাৱে ল'ব নোৱাৰাটো স্বাভাৱিক। আমাৰ কৰ্তব্য হ'ল—সেইসকলৰ মনৰ খোকোজা আঁতৰাই সেইসকলৰ আগত প্ৰকৃত ছবিখন দাঙি ধৰিবলৈ চেষ্টা কৰা আৰু সেই সকলকো কাষ চপাই আনিবলৈ চেষ্টা কৰাটো। বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন পাতি সেই অঞ্চলত বাংলা ভাষাক বিপৰ্যস্ত কৰাৰ চক্ৰান্ত কাৰো নাই। বাংলাৰ দৰে সমৃদ্ধ ভাষা-সাহিত্য-সংস্কৃতিক পৃথিৱীৰ কোনো শক্তিয়ে বিপৰ্যস্ত কৰিব নোৱাৰে। যি ভাষাই ভাৰতৰ দুখন ৰাজ্য, ভাৰতৰ বিভিন্ন ৰাজ্যৰ বাংলাভাষী লোক আৰু বাংলাদেশৰ শক্তিৰ দ্বাৰা শক্তিমান স্থিতি লাভ কৰিছে, সেই ভাষাৰ বিৰুদ্ধে অসমীয়া ভাষাই যুঁজাৰ প্ৰশ্নই উঠিব নোৱাৰে। অসমৰ বিভিন্ন ঠাইত বঙ্গ সাহিত্য সন্মিলনপাতোতে যি প্ৰশ্ন উঠাৰ কাৰণে কোনো অৱকাশ নাছিল, সেই প্ৰশ্ন বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন পতাৰ বেলিকাও উত্থাপিত হোৱাৰ কোনো অৱকাশ থাকিব নোৱাৰে। কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি অসমৰে ভিতৰুৱা অঞ্চল। ইয়াত অসম সাহিত্য সভাৰ অধিবেশন পতাৰ ক্ষেত্ৰত কিবা অসৎ অভিপ্ৰায় থকা বুলি ভবাটোৱেই দুৰ্ভাগ্যজনক কথা।

এতিয়া বুৰঞ্জীৰ হাকুটি লগাই সম্বন্ধৰ কথা ফঁহিয়াই দেখুৱাবলৈ নেযাওঁ। ৰাজনীতিয়ে বুৰঞ্জীক নেফানেফ কৰি আমাৰ মনক ভাগ ভাগ কৰিলে। কাছাৰ অঞ্চলৰ লগত থকা সম্পৰ্কৰ কথাক এতিয়া ৰাজনীতিয়েই গৌণ কৰিলে। কিন্তু তাৰ মাজতো অসমৰ অৱশিষ্ট অঞ্চলৰ লগত সম্পৰ্ক অটুট ৰখাৰ বাবে এই অঞ্চলৰে অলেখ লোকে তাহানিৰে পৰা চেষ্টা কৰি আহিছে। অসম আৰু অসমীয়া ভাষাৰ লগত সম্পৰ্ক ৰক্ষা কৰা সম্পৰ্কত বৰাক উপ-

ত্যকাত থকা সচেতনতাৰ কথা তথা অসমীয়া ভাষাৰ হকে জীৱন আহুতি দিয়া এই অঞ্চলৰে খিলঞ্জীয়া লোকৰ কথা কোনেও নুই কৰিব নোৱাৰে।

১৯২৭ চনতে ছিলেটত অসম সাহিত্য সভাৰ শাখা গঠিত হৈছিল। শিলচৰত ১৯৫৩ চনত সাহিত্য সভাৰ শাখা গঠিত হয়। এইবাৰ অসম সাহিত্য সভাৰ অধিবেশন বহিছে—হাইলাকান্দিত—হাইলাকান্দিৰ ৰাইজৰ আমন্ত্ৰণক্ৰমে। এই আমন্ত্ৰণ গ্ৰহণ কৰা সম্পৰ্কত যোৱাবাৰ পাঠশালা অধি-বেশনতে সিদ্ধান্ত লোৱা হৈছিল। বৰাক উপত্যকাৰ খিলঞ্জীয়া হিন্দু-মুছলমান, ডিমাচা কছাৰী, বিষ্ণুপ্ৰিয়া, মেইটি মণিপুৰী, চাহ শ্ৰমিক আৰু বিভিন্ন জন-জাতীয় গোষ্ঠীৰ লগতে এই উপত্যকাৰ বাংলাভাষী ৰাইজৰ সৰহভাগৰে সহযোগত পতা এই অধিবেশনে মনৰ মাজত সাঁকো গঢ়ি আমাৰ মনৰ ভুল বুজাবুজি দূৰ কৰক--ইয়াকে আমি কামনা কৰিম।

মনৰ সাঁকো ভঙাৰ সুবিধা অৱশ্যে আমি সকলোৱেই উলিয়াই দিলো। দোষৰ ভাগ আমি সকলোৱে ল'ব লাগিব—বৰাইলৰ ইপাৰৰ আৰু সিপাৰৰ সকলো লোকে। দেশ বিভাজনৰ পিচত কাছাৰ অঞ্চলত যি হেঁচা পৰিল তাৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰৰ প্ৰতি উচিতভাৱে দৃষ্টি দিয়া নহ'ল। অঞ্চলটোলৈ অজস্ৰ মানুহ আহিল। ১৯০১ চনত য'ত জনসংখ্যা মাত্ৰ ৬ লাখ ৩০ হেজাৰ ৩০২ জন আছিল, তেতিয়াৰ সেই কাছাৰত ১৯৫১ চনৰ জনসংখ্যা হ'লগৈ ১১ লাখ ১৫ হেজাৰৰো অধিক। সেই বছৰৰ পিয়লৰ হিচাপ মতে জনবসতিৰ ঘনতা কাছাৰতে অসমৰ ভিতৰত আটাইতকৈ বেছি আছিল—প্ৰতি বৰ্গমাইলত ৪১৫। তাৰ পিচৰ পৰা পৰিস্থিতি আৰু জটিল হ'ল। পৰৱৰ্তী দুটা পিয়লৰ হিচাপেই দেখুৱাই দিলে—সেই অঞ্চলৰ লোকৰ ওপৰত বৰ্দ্ধিত জনসংখ্যাই কিদৰে প্ৰবল হেঁচা পেলাইছে। সেই হেঁচা পাতলাবৰ বাবে তেতিয়া সম্যকভাৱে যোগাত্মক প্ৰচেষ্টা হাতত লোৱা নহ'ল। সেই কাৰণে গাওঁ আৰু নগৰ উভয়তে অসন্তুষ্টিয়ে ছাটি ধৰিলে। মাটিৰ ওপৰত হেঁচা বঢ়াত গাওঁ অঞ্চলৰ খিলঞ্জীয়া লোকৰ ওপৰত বিশেষ হেঁচা পৰিল। আনপিনে নগৰীয়া অঞ্চলত জনবসতিৰ ঘনতা বাঢ়ি ১৯৫১ চনতে তেতিয়াৰ কাছাৰক অসমৰ ভিতৰতে দ্বিতীয় স্থানত উপনীত কৰালেগৈ। নগৰীয়া অঞ্চলত উদ্যোগ আদি নথকাত সংস্থানৰ সমস্যাই কঠোৰ ৰূপ ধাৰণ কৰিলে। এইদৰে পুঞ্জীভূত হোৱা অসন্তুষ্টিক আন উদ্দেশ্যত কামত লগাবলৈ শাণত দিয়াৰ

সুযোগ উলিয়াই দিয়া হ'ল—অঞ্চলটোৰ সমস্যাৰ সম্যক বিচাৰ লৈ ততা-তৈয়াকৈ ব্যৱস্থা হাতত নোলোৱাৰ বাবে। কাছাৰ অঞ্চললৈ অহা নবাগত সকলৰ একাংশই নেতৃত্ব লৈ খিলঞ্জীয়া সকলক ৰাজনৈতিক-অৰ্থনৈতিক সকলো দিশৰ পৰাই আঁতৰাই দখল লোৱাত আকৌ তাহানিৰ শ্ৰীহট্টই লোৱা ভূমিকাৰ সদৃশ অৱস্থাৰ সৃষ্টি হ'ল। প্ৰতি কথাতে প্ৰত্যাহ্বান আহিল ; অসমৰ স্বাৰ্থজড়িত কথাতো অঞ্চলটোৰ পৰা সঁহাৰি নোপোৱা অৱস্থা হ'ল। ফলত বৰাইলৰ ইপাৰ-সিপাৰৰ মানুহৰ মনৰ আগত বেৰ গাঁথি দিয়া যেন হ'ল।

সেইখন বেৰকে আমি ভাঙিবলৈ চেষ্টা কৰিবৰ হ'ল। এই চেষ্টাই সকলোৰে পৰা আশীৰ্বাদ পোৱা উচিত। অৱশ্যে এই ক্ষেত্ৰতো হেঙাৰ নথকা নহয়। তাহানি ৰাজ্য পুনৰ্গঠন আয়োগে প্ৰতিবেদনত কৈছিল যে বিশেষ কোনো এটা ভাষা কোৱা লোক সংখ্যাগৰিষ্ঠ হৈ থকা ৰাজ্যক আন ৰাজ্যত বাস কৰা সেই একে ভাষাভাষী লোকসকলৰ স্বাৰ্থৰ ৰক্ষক বুলি গণ্য কৰিব নোৱাৰি। এনে মনোভাৱ সংহতিৰ প্ৰতিকূল বুলি আয়োগৰ প্ৰতি-বেদনত সঁকিয়াই দিছিল। আমিও আজি সেই একে স্বাৰ্থতে এই কথা উল্লেখ কৰিলো—যাতে আমাৰ মনৰ চুবুৰী ভঙাৰ প্ৰচেষ্টাত চুবুৰীয়া কোনো ৰাজ্যই হকাবাধা নলগায়।

ৰাজনীতিৰ খেলৰ পৰা আঁতৰি আহিলেই ওপৰৰ আকাশ ফৰকাল হৈ পৰিব। অসমীয়া ভাষাক শত্ৰু জ্ঞান কৰাসকলে তেতিয়া বুজিব যে অসমীয়া ভাষাক সম্পূৰ্ণ এৰৰীয়া কৰি বৰাক উপত্যকাৰ লোকেই কাৰ্যক্ষেত্ৰত অসুবিধাত পৰিব। সেই অঞ্চলৰ লোকৰ চাকৰি, ব্যৱসায়, উদ্যোগ আদিৰ ক্ষেত্ৰ সমগ্ৰ অসম জুৰি উন্মুক্ত হৈ আছে—সেইদেখি সেইসকল লোকৰ স্বাৰ্থতে আৰু সংহতি স্থাপনৰ স্বাৰ্থতে এই ক্ষেত্ৰত বিৰূপ মনোভাৱ দূৰ হ'ব লাগে। অসমীয়া শিকিলেই বাংলা ভাষা বিপন্ন নহয়। বাংলা ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া লোকৰ সংখ্যা কম নহয়। বৰাক উপত্যকাত বাংলাৰ স্থান সুনিশ্চিত হৈ আছে। বিৰোধৰ মানসিকতা দূৰ হ'লেই বৰাক উপত্যকাৰ সমস্যাৰ সমাধানৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ কঁকালত টঙালি বান্ধি আগবাঢ়ি আহিব আৰু অসমৰ সমূহীয়া সমস্যাৰ সমাধানৰ বাবেও বৰাক উপত্যকাৰ মানুহো ৰণশিঙা বজাই আগবাঢ়ি আহিব।

এনে মিলিত প্ৰচেষ্টাহে আমাৰ কাৰণে অমোঘ অস্ত্ৰ। চুবুৰীয়া ৰাজ্যই লোকৰ জনঙাইদি জুমি সমস্যা ব্যাবহে পাৰিব—আন একোকে কৰিব নোৱাৰে।

অসমৰ 'বলকানাইজেচন'ৰ জৰিয়তে কাৰ স্বাৰ্থ পূৰণ কৰা হ'ব—সেই কথা ভাবি চাবৰ হ'ল। সুকীয়া সুকীয়া ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চল পাতিলে দিল্লীত এই সমুদায় অঞ্চলৰ মত ৰজাবলৈ চেষ্টা কৰাটোৱেই অসাধ্য হৈ পৰিব। ইতিমধ্যে আমি দেখিছো যে সৰু সৰু ৰাজ্যবোৰৰ উপস্থিতিয়ে যোগ্য স্বীকৃতি লাভ কৰা নাই। ৰাজ্য সভাত যদি সৰু-ডাঙৰ সকলো ৰাজ্যৰ কাৰণে সমান সমান আসন থাকিলহেঁতেন তেতিয়াও কিছু ভাৰসাম্য ৰক্ষা পৰিলহেঁতেন। কিন্তু তেনে কৰা নহ'ল। যিবোৰ ৰাজ্যই জনসংখ্যাৰ ভিত্তিত সৰহ সংখ্যক সংসদী সদস্য লোকসভালৈ নিৰ্বাচিত কৰিছে, সেইবোৰ ৰাজ্যৰে কৰ্তৃত্ব স্থাপিত হৈছে। সৰু সৰু ৰাজ্যৰ কম সংখ্যক সংসদী সদস্যই ৰেখাপাত কৰাৰে থল নাই। তাতে উত্তৰ পূব অঞ্চলত উদ্যোগ, বাণিজ্য আদিৰ পয়োভৰো কম—সেইদেখি দিল্লীত তেনে সূত্ৰৰ যোগেদি গঠিত শক্তিশালী 'লবী'ও নাই। সম্প্ৰতি দিল্লীত বিভিন্ন 'লবী'য়ে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি গতিপথ নিয়ন্ত্ৰণ কৰি আছে। এনে অৱস্থাত আমি এই অঞ্চলক আৰু টুকুৰা-টুকুৰ কৰি হাতৰ কুঠাৰ ভৰিত মাৰি লোৱাৰ নিচিনাহে হ'ব। সংসদী প্ৰতিনিধিৰ ওজন তেতিয়া আৰু কমিব আৰু আমি তেতিয়া দিশহাৰা হ'বলগীয়া হব।

**ঘনীভূত সংকট :** আমাৰ সাম্প্ৰতিক স্থিতিৰ চিনাকি দিবৰ বাবেই ইমান পৰে এইবোৰ কথা বহলাই দাঙি ধৰিবলগীয়া হ'ল। কিয়নো তেতিয়াহে আমাৰ সাম্প্ৰতিক স্থিতিৰ আচল চিনাকি দিয়া হ'ব। অসমত এতিয়া যি পৰিস্থিতিৰ সৃষ্টি হৈছে, তাৰ তুলনা নাই। অস্তিত্ব ৰক্ষাৰ বাবে চলা সুদীৰ্ঘ আন্দোলনৰ মূৰত হোৱা অসম-চুক্তি যিদৰে গেঠেলা মাৰি থাকিলে, কেন্দ্ৰই যিদৰে এই ক্ষেত্ৰত আঁহফলা নীতি লৈছে আৰু তাকে কৰি যিদৰে শক্তিশালী ন্যস্ত স্বাৰ্থৰ সমৰ্থন লাভ কৰিছে, যিদৰে অসমৰ অৰ্থনৈতিক শক্তি হস্তান্তৰিত হ'ব লাগিছে, যিদৰে নিয়োগ নীতিয়ে অসমৰ থলুৱা স্বাৰ্থক বিপন্ন কৰিছে, যিদৰে অসমলৈ বোৱা বিদেশী আৰু দেশীয় লোকৰ জনস্ৰোতে নতুন নতুন সমস্যাৰ সৃষ্টি কৰিছে আৰু অসম-চুক্তি মতে প্ৰতিশ্ৰুতিবদ্ধ ৰক্ষাকৱচৰ ব্যৱস্থা কৰা বিষয়টো প্ৰধান মন্ত্ৰীয়ে একে আষাৰেই কাৰ্যতঃ বাতিল কৰি



দিছে, যিদৰে অসমৰ সকলো কথাতে ৰাজনৈতিক উপকৰণক অনুপান হিচাপে ব্যৱহাৰ কৰা হৈছে—এইবোৰ কথাই আমাক উদ্বিগ্ন কৰি ৰখাৰ পৰতে এতিয়া আমাৰ মাজতে সৃষ্টি হোৱা ঘৰ ভঙা প্ৰক্ৰিয়াই আমাক এটা চৰম পৰিস্থিতিৰ মাজলৈ ঠেলি নিছে। অসমৰ যদি আৰু বিভাজন ঘটে, জনজাতীয় সকলৰ লগত থকা সাতামপুৰুষীয়া সম্বন্ধৰ এনাজৰী যদি ছিগি যোৱাৰ পৰিস্থিতি উদ্ভৱ হয়, অসমৰ অবিচ্ছেদ্য অঙ্গ হৈ পৰা চাহ শ্ৰমিকৰ মাজতো যদি সুকীয়া সুৰৰ ধ্বনি উঠে, জাতিৰ জীৱনত জীণ গৈ শক্তিৰ আধাৰ গঠন কৰা প্ৰক্ৰিয়াক শ্বাস ৰোধ কৰাৰ প্ৰচেষ্টা যদি পূৰ্ণ গতিত চলি থাকে, অসমীয়া ভাষাৰ স্থিতিৰ পথত যদি অলংঘনীয় প্ৰাচীৰ গঢ়াৰ উদ্যম চলে—তেন্তে আমাৰ সংকট ঘনীভূত হোৱা নুবুলি কি বুলিম ?

**সৰ্বাত্মক প্ৰস্তুতি :** এই সময়ত আমি কেনে কাৰ্যপন্থা হাতত ল'ব লাগিব সেই বিষয়ে স্থিৰ কৰি সৰ্বাত্মক প্ৰস্তুতিৰে কামত আগবাঢ়িব লাগিব। অৱশ্যে নিৰাশাৰ বাণীৰে কাৰো মন হিম-চেঁচা কৰিব খোজা নাই। ক্ষুদ্ৰ জাতি একোটাই নিজৰ নিজৰ ভাষা-সংস্কৃতি-সভ্যতা প্ৰতিকূল পৰিবেশৰ মাজতো অটুট স্বাস্থ্যৰে ৰক্ষা কৰাৰ উদাহৰণ এইখন পৃথিৱীতে আছে। অসমেও ইতিমধ্যে বহুতো প্ৰতিকূল পৰিস্থিতি অতিক্ৰম কৰিছে। সংগ্ৰামে মন চনকা নকৰে—পাহৰালহে কৰে। তেনে পাহৰাল মনেই সঠিক মূল্যাংক-নেৰে সাধনাৰ ব্ৰত লবলৈ আমাক সঁকিয়াই দিব।

এইখন পটভূমিৰ পৰাই অসম সাহিত্য সভাই নতুন উদ্যম হাতত ল'ব লাগিব। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত গতানুগতিক স্থিতিৰ মাজত নিজক আৱদ্ধ নেৰাখি অসম সাহিত্য সভাই অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ভাগ লৈ সাহসী পদক্ষেপ দিছিল। কিছুমানে অৱশ্যে তাকে ভাল বোলা নাছিল। পিচে অস্তিত্ব ৰক্ষাৰ বেলিকা নিৰ্লিপ্ত ভূমিকা লৈ ত্ৰিশংকুৰ দৰে থাকি অসম সাহিত্য সভাই বিদুষকৰ ভূমিকাহে লোৱা হ'লহেঁতেন—অসমীয়া সাহিত্য-সংস্কৃতি-ভাষাৰ একনিষ্ঠ সেৱকৰ নিভাঁজ চিনাকি নিদিলেহেঁতেন। বলিষ্ঠ মনেৰে এতিয়াৰ নতুন সমস্যাৰ সন্মুখীন হোৱাৰ বাবেও অসম সাহিত্য সভাই নতুন পদক্ষেপ দিব লাগিব। ৰাইজৰ শ্ৰদ্ধাৰ অধিকাৰী হোৱা অসম সাহিত্য সভাৰ পৰা ৰাইজে বহুতখিনি আশাও কৰে।

অসমীয়া ভাষাৰ স্থিতি দুৰ্বল কৰি অসমত কোনো ন্যস্ত স্বাৰ্থ সাব্যস্ত কৰাৰ প্ৰয়াস অহৰহ চলি আছে। এনে অৱস্থাত আমি হোইঁকা-পিচলা কৰি থকাৰ সময় নাই। আমাৰ প্ৰতি সহায়ৰ হাত আনে আগবঢ়াব বুলি আশা কৰাৰো থল নাই। কেন্দ্ৰীয় চৰকাৰেও সময়ত দুমুখীয়া নীতি লৈ আমাৰ আহুকালহে বঢ়াইছে। ত্ৰিভাষা সূত্ৰকে অসমত অচল কৰাৰ প্ৰচেষ্টা চলাৰ মুহূৰ্ততো কেন্দ্ৰ নিৰ্বিকাৰ। অৱশ্যে ভাৰতৰ ভাগ্য বিধাতা হৈ থকা উত্তৰ প্ৰদেশতে ত্ৰিভাষা সূত্ৰ মনা নাই। কেন্দ্ৰৰ নীতি কেতিয়া কোনমুৱা হয় তাৰো ঠিকনা নাই। নৱোদয় বিদ্যালয়ত ৮ম মান শ্ৰেণীৰ পিচৰপৰা অকল হিন্দী আৰু ইংৰাজীক সামৰি লৈ আঞ্চলিক ভাষাক এলাগী কৰা ব্যৱস্থাই ৰাজ্যভাষা আৰু মাধ্যমৰ ক্ষেত্ৰত গুৰুতৰ সমস্যা সৃষ্টি কৰিবগৈ পাৰে।

কেন্দ্ৰৰ নীতিৰ বাবেই একালত অৰুণাচল প্ৰদেশ আৰু অসমৰ মাজত থকা সম্পৰ্ক এতিয়া থানবান হৈ গ'ল। অৰুণাচল প্ৰদেশৰ (তেতিয়াৰ নেফা) বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰকাশৰ মাধ্যম ৰূপে থকা অসমীয়া ভাষাই অসমীয়া ভাষাৰ সম্প্ৰসাৰণবাদী অভিযানৰ ফলত নেফাত থিতাপি লোৱা নাছিল। সেই অঞ্চলৰ বাইজৰ ব্যৱহাৰিক তাগাদাতহে থিতাপি লৈছিল। কেন্দ্ৰৰ হৰ্তা-কৰ্তাসকলে সেই কথাও স্বীকাৰ কৰিবলৈ টান পালে আৰু অনুক্ৰমে অসমীয়া ভাষাক আঁতৰোৱাৰ বাবে আত্মনিয়োগ কৰিলে। কিন্তু চীনে ভাৰত আক্ৰমণ কৰা সময়ত হঠাৎ চীনৰ তেতিয়াৰ পিকিং ৰেডিঅ'ই যেতিয়া নেফাৰ ৰাইজৰ বাবে অসমীয়া ভাষাত প্ৰচাৰ চলালে তেতিয়া দিল্লীত ধৰফৰণি লাগিল। সেই সময়ৰ কথাকাণ্ডৰ বিষয়ে ব্যক্তিগত অভিজ্ঞতাৰ পৰা কিছু কথা ক'ব পাৰি। আকাশবাণীৰ বাতৰি বিভাগৰ চাকৰিয়াল হিচাপে তেতিয়া নতুন দিল্লীত কাম কৰি আছিলো। চীনা প্ৰচাৰৰ চোক কমাবলৈ কেন্দ্ৰীয় চৰকাৰে হঠাৎ নেফাৰ ৰাইজৰ বাবে অসমীয়া বাতৰি প্ৰচাৰ কৰিবলৈ খৰখেদা লগালে। মোক গুৱাহাটীলৈ বদলি কৰি আনি নেফাৰ বাবে অসমীয়া বাতৰি যুগুতাবলৈ দিলে। মই যুগুতাই দিয়া অসমীয়া বাতৰি একালৰ প্ৰখ্যাত ফুটবল খেলুৱৈ শ্ৰীইন্দ্ৰজিৎ নামচুং আৰু এতিয়া সম্ভৱতঃ পাছিঘাট অনাতাঁৰ কেন্দ্ৰত কাম কৰা শ্ৰীযতীন্দ্ৰ মৰাঙে গুৱাহাটী কেন্দ্ৰৰ পৰা পৰিৱেশন কৰিছিল।

কিন্তু তেতিয়াৰ প্ৰয়োজনৰ তাগাদাতহে অসমীয়া ভাষাক আদৰি লোৱা হৈছিল। মূৰকত অসমীয়া ভাষা নেফাৰ পৰা বিতাৰিত হ'ল। অথচ



১৯৫৯ চনত লোকসভাক তেতিয়াৰ প্ৰধানমন্ত্ৰী ৺জৱাহৰলাল নেহৰুৱে আশ্বাস দিছিল যে নেফাত অসমীয়া ভাষা শিকোৱা হ'ব ; আনকি অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ বাবে উৎসাহিত কৰাৰ সম্ভাৱনাৰো বিচাৰ লোৱা হ'ব বুলি স্বৰ্গীয় প্ৰধান মন্ত্ৰী গৰাকীয়ে কৈছিল। কিন্তু মূৰকত সকলো ফুটুকাৰ ফেন হ'ল। বিহাৰৰ সীমাৰ পৰা উৰিষ্যা, পশ্চিম বঙ্গ আৰু অসমক ডেই আহি "প'ল-জাম্প" মাৰি হিন্দী ভাষাই অৰুণাচল প্ৰদেশত বৰপীৰা পাৰি বহি ল'লে। অৰুণাচল প্ৰদেশ হিন্দীভাষী হৈ পৰিল ! মাধ্যমো হিন্দী হ'ল।

পিচে বেলিৰ মুখত সোপা দিয়াটো টান। সেইদেখি ১৯৮৬ চনতো পাছিঘাটৰ আকাশবাণী কেন্দ্ৰৰ বাতৰি বিভাগৰ চাকৰিত মকৰলৰ বাবে দিয়া বিজ্ঞাপনত 'অৰুণাচল-অসমীয়া' জনাটো বাধ্যতামূলক অৰ্হতা বুলি উল্লেখ কৰিবলগীয়া হ'ল। সেয়ে স্বৰূপ উদ্‌ঘাটন কৰি দিছে। কিন্তু ইতিমধ্যে অৰুণাচল প্ৰদেশৰ জনজাতীয় লোকসকল বাধাগ্ৰস্ত হৈ পৰিল। সেই অঞ্চলৰ চাকৰি-বাকৰিত হিন্দীৰ অৰ্হতাৰ যোগেদি হিন্দীভাষী লোকে কিদৰে সিংহভাগ অধিকাৰ কৰি আছে, তাৰ পৰিচয় হয়তো অৰুণাচল প্ৰদেশৰ সীমাৰ বাহিৰৰ বহুতেই নেপায়।

**অনুকূল মানসিকতা** : অসমীয়া ভাষাৰ প্ৰতি অনুকূল মানসিকতা গঢ়াৰ প্ৰচেষ্টাৰো নিতান্ত প্ৰয়োজন। অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ বঢ়াত সহায় কৰিব পৰা ধৰণৰ গ্ৰন্থ প্ৰকাশ কৰাত মনোনিবেশ কৰিব লাগে। ব্যৱহাৰিক জীৱনত কামত অহা বিষয়ৰ কিতাপ-পত্ৰই বহুতক অসমীয়া ভাষাৰ কাষলৈ আনিব পাৰিব। উদাহৰণ স্বৰূপে ট্ৰেনজিষ্টৰ মেৰামতি কৰাৰ বিষয়ে সহজ সৰলভাৱে লিখা কিতাপে তেনে ৰাপ থকা সকলো লোকৰে মনৰ কাষ চাপিব পাৰিব। উদ্যোগ, বেপাৰ-বাণিজ্য আদিৰ বেলিকা এই দিশৰ পৰা আমি চিন্তা কৰা উচিত। একালত তিব্বতৰ লগত অসমৰ এড়ী কাপোৰৰ ডাঙৰ ব্যৱসায় চলিছিল—সেই ব্যৱসায়িক আদান-প্ৰদানৰ যোগেদিয়েই তিব্বতৰ কিছুমান মানুহ অসমীয়া ভাষা ক'ব পৰা অৱস্থাত উপনীত হৈছিল। আমি সেই দিশটো উপেক্ষা কৰি আহিছো।

বিভিন্ন বিষয়ৰ উপযুক্ত কিতাপ উলিয়াই আমি অসমীয়া ভাষাৰ প্ৰতি আকৰ্ষণ বঢ়াব পাৰো। দৈনন্দিন জীৱনৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা বিভিন্ন

বিষয়ৰ কিতাপ আৰু বিজ্ঞান, কাৰিকৰী বিজ্ঞান আদি বিষয়ৰ কিতাপ উলিয়াই আমি অন্য ভাষা-ভাষীৰ মাজতো পঢ়ুৱৈ বিচাৰি পাম। অসমীয়া মৌলিক গ্ৰন্থ যদি উচ্চ পৰ্যায়ৰ হয়—তেতিয়াও পঢ়ুৱৈৰ সীমা বহল হ'ব।

**প্ৰকাশন :** সেই দেখি এই ক্ষেত্ৰত এটা পৰিকল্পিত প্ৰচেষ্টাৰ প্ৰয়োজন। এই বিষয়ত অসম সাহিত্য সভা, অসম চৰকাৰ, প্ৰকাশন পৰিষদ আৰু অসমৰ বিশ্ববিদ্যালয় কেইখনৰ মাজত সমন্বয়পূৰ্ণ যৌথ উদ্যম এটাৰ প্ৰয়োজন। যিহেতু বিত্তীয় সীমাবদ্ধতাই হেঙাৰ পুতিব—সেইকাৰণে এনে পৰিকল্পিত যৌথ প্ৰচেষ্টাৰ প্ৰয়োজন। লগতে চাব লাগে যাতে ওপৰাওপৰিকৈ একে বিষয়ৰ পুথিকে একাধিক মহলৰ পৰা নোলায় আৰু চৰ্বিত চৰ্বণ নহয়। সেইদেখি সমন্বয়ৰ বিশেষ প্ৰয়োজন।

প্ৰকাশনৰ ক্ষেত্ৰত নতুন বিচাৰৰ প্ৰয়োজন। বিত্তীয় অসুবিধাৰ বাবে বহুত লেখকে কিতাপ প্ৰকাশ কৰিব নোৱাৰে। সেই অসুবিধা দূৰ কৰাৰ বাবে এসময়ত অসমত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰকাশন পৰিষদ গঠন কৰা হৈছিল। কিন্তু মূৰকত সেই লক্ষ্যৰ পৰা প্ৰকাশন পৰিষদ আঁতৰি গ'ল। এই সংক্ৰান্তত থকা বিধি-ব্যৱস্থাবোৰৰ কাৰণেই পৰিষদ যদি অসুবিধাত পৰিছিল, তেন্তে সেই নিয়মৰ সালসলনি ঘটাই অসুবিধা আঁতৰোৱাৰ ব্যৱস্থাহে কৰা উচিত আছিল। প্ৰকাশন পৰিষদৰ ভাল কামবোৰ স্বীকাৰ কৰিবই লাগিব ; কিন্তু লেখকক কিতাপ প্ৰকাশ কৰাৰ বাবে দিয়া সুবিধাৰ পৰা বঞ্চিত কৰি অন্যায় কৰিলে।

ৰাজ্য চৰকাৰৰ দায়িত্ব এতিয়া বেছি। ৰাইজৰ বহুতো ইচ্ছা-আকাংক্ষাৰ বোজা বৈ শাসনত অধিষ্ঠিত হোৱা এতিয়াৰ ৰাজ্য চৰকাৰৰ পৰা ৰাইজে বহুতখিনি আশা কৰে। ৰাজ্য চৰকাৰে প্ৰকাশনৰ বেলিকা অধিক পৰিকল্পিত প্ৰচেষ্টা হাতত ল'ব লাগে। যিবোৰ বিষয়ৰ কিতাপৰ অভাৱ আছে, তেনে বিষয়ৰ কিতাপ ৰচনা কৰাৰ বাবে আৰু জনজাতীয় ভাষাসমূহৰ বিভিন্ন কিতাপ যুগুতাই প্ৰকাশ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিশেষ প্ৰচেষ্টা হাতত লোৱা উচিত। চৰকাৰী মঞ্জুৰী দি বেচৰকাৰী প্ৰকাশন প্ৰতিষ্ঠানকো চৰকাৰে কেতবোৰ দায়িত্ব দিব পাৰে। বিভিন্ন খিলঞ্জীয়া ভাষাৰ বিকাশৰ বাবে চৰকাৰেই ব্যৱস্থা ল'ব লাগিব। অসমৰ বিশ্ববিদ্যালয় কেইখনেও অধিক যোগাত্মক প্ৰচেষ্টা হাতত লৈ প্ৰকাশনৰ বেলিকা পথ সুগম কৰাত সহায় কৰিব পাৰে।



পাঠ্যপুথি প্ৰকাশ কৰাৰ পূৰ্ণাঙ্গ দায়িত্ব চৰকাৰে গ্ৰহণ কৰাৰ ফলত সৃষ্টি হোৱা আনুষঙ্গিক সমস্যা এটালৈ আঙুলিয়াই দিয়াটোও কৰ্তব্য বুলি ভাবো। আগতে প্ৰকাশকসকলে পাঠ্যপুথি প্ৰকাশ কৰি লাভৱ ধনেৰে বহুতো কিতাপ প্ৰকাশ কৰি লেখকসকলক উৎসাহ যোগাইছিল। কিন্তু পাঠ্যপুথিৰ দায়িত্ব তেওঁলোকৰ হাতৰ পৰা যোৱাৰ পিচত প্ৰকাশকসকলে উপন্যাস, গল্পৰ কিতাপ আদি সীমাবদ্ধভাৱে প্ৰকাশ কৰাৰ বাহিৰে আন কিতাপ প্ৰকাশ কৰিবলৈ আগ নবঢ়া হ'ল। এই সমস্যা সমাধান কৰাৰ উপায় লাগে। এতিয়া এনে সমস্যাও হৈছে—য'ত প্ৰকাশকৰ অভাৱত একোখন তত্ত্বগধুৰ কিতাপ লেখকে নিজে ছপাই উলিয়াই খৰচান্ত হৈ কাৰ্যতঃ কিতাপ লেখাৰ বাবেই মাচুল ভৰিবলগীয়া হৈছে!

অসম সাহিত্য সভাৰ প্ৰকাশন নীতিৰো পৰিবৰ্তনৰ আৱশ্যক। অসম সাহিত্য সভা পত্ৰিকাক অন্য পত্ৰিকাৰ দৰে নধৰি এটা বিশেষ মৰ্যাদা দিব পৰা ধৰণেৰে অধিক পৰিকল্পিত কৰি তোলা উচিত। তাৰ বাবে সুযোগ দিবৰ কাৰণেই সাহিত্য সভা পত্ৰিকাৰ সম্পাদকজনৰ কাৰ্যকাল দীঘলীয়া কৰা উচিত।

আমি যদি সময়ৰ লগত খোজ মিলাব লাগে, তেন্তে বিজ্ঞান, প্ৰযুক্তি বিজ্ঞান আৰু অৰ্থনীতি সংক্ৰান্ত বিষয়ত সৰহ সংখ্যক লোকক জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সম্প্ৰতি বিজ্ঞানৰ বা প্ৰযুক্তি বিজ্ঞানৰ কিতাপ-পত্ৰ ৰচনাৰ বেলিকা এককভাৱে কোনো কোনোৱে চেষ্টা কৰিছে আৰু তাৰ বাবে সেইসকল শলাগৰ পাত্ৰ। কিন্তু এই গুৰুভাৰ ল'বলৈ অধিক প্ৰণালীবদ্ধ, দীৰ্ঘম্যাদী আৰু ব্যাপক পৰিকল্পনাৰ প্ৰয়োজন। নিম্ন শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈকে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কামত অহাকৈ, সৰ্বসাধাৰণ লোকৰ ব্যৱহাৰিক জীৱনত কামত অহাকৈ আৰু বিজ্ঞান, প্ৰযুক্তি বিজ্ঞানৰ উচ্চতৰ পৰ্যায়ৰ সকলো কথা অসমীয়াতে পঢ়িবলৈ পাব পৰাকৈ এইবোৰ বিষয়ৰ কিতাপ-পত্ৰ যুগুতাবলৈ অসম সাহিত্য সভা, অসম চৰকাৰ, অসম বিজ্ঞান সমিতি, অসমৰ বিশ্ববিদ্যালয় কেইখন আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় কেইখনৰ সমূহীয়া উদ্যম এটাৰ প্ৰয়োজন।

সেইদৰে আমাৰ ডেকাচামৰ মন উদ্যোগমুখী কৰিবলৈ আৰু ব্যৱসায়-বাণিজ্যৰ পিনে তেওঁলোকৰ মন ঢাল খুৱাবলৈ যি মানসিকতা গঢ়ি তোলাটো প্ৰয়োজনীয় সেই প্ৰয়োজন পূৰাব পাৰে তেনে বিষয়ৰ কিতাপ-পত্ৰই । এই বিষয়তো এটা পৰিকল্পিত প্ৰচেষ্টাই গঢ় লব লাগে ।

অসম সাহিত্য সভাই কি ধৰণৰ কিতাপ প্ৰকাশ কৰিব—এই বিষয়ে এটা সুস্থিৰ সিদ্ধান্ত লোৱাটো প্ৰয়োজনীয় । আৰ্থিক সীমাবদ্ধতালৈ চাই অসম সাহিত্য সভাই সকলো কিতাপ নিজে প্ৰকাশ কৰাৰ পৰাও বিৰত থাকিব লাগে । সীমাবদ্ধভাৱে নিজে প্ৰকাশ কৰাৰ দায়িত্ব লৈ বাকীবোৰৰ ভাৰ প্ৰকাশকক দিব পাৰি । আনহাতে অন্য প্ৰকাশকে প্ৰকাশ কৰিব পৰা বা কৰি থকা ধৰণৰ কিতাপ উলিওৱাৰ দায়িত্ব ল'ব নেলাগে । অসম সাহিত্য সভাৰ তৰফৰ পৰা আৰু প্ৰতি বছৰৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ উদ্যোগত প্ৰকাশ কৰা কিতাপৰ ক্ষেত্ৰত অধিক পৰিকল্পিত আৰু সমন্বয়পূৰ্ণ ব্যৱস্থা হাতত ললে কেতবোৰ মৌলিক কিতাপৰ চাহিদা পূৰণ কৰিব পৰা হ'ব ।

এইখিনিতে বিকৃত ৰুচিবোধৰ বিস্তাৰ ঘটোৱাৰ দ্বাৰা ধন ঘটাৰ মানসেৰে প্ৰকাশ কৰা নগ্ন যৌনগন্ধী কিতাপৰ কথা উল্লেখ কৰা উচিত হ'ব । লেখক আৰু প্ৰকাশকৰ নাম নেৰাখি আইন উলংঘা কৰি প্ৰকাশ কৰা এই কিতাপবোৰৰ গুৰিত থকা মানুহক ধৰা পেলাব নোৱাৰাটো চৰকাৰী অক্ষমতাৰে নিদৰ্শন । কিন্তু কথা হ'ল—কিতাপৰ দোকানত এই কিতাপবোৰ সৰগৰ পৰা সৰি পৰা নাই । কোনোবাই যোগানহে ধৰিছে । সেই যোগনিয়াৰখিনিৰ সন্ধান কিতাপৰ দোকানীৰ পৰা যদি উলিয়াব নোৱাৰে—তেন্তে দোকানকে জগৰীয়া কৰাৰ ব্যৱস্থা লোৱা নহয় কিয় ?

অসমীয়া গল্প, উপন্যাস আৰু কবিতাৰ উচ্চমানৰ নিদৰ্শন বাহিৰত প্ৰকাশ পোৱাৰ সংকুচিত সুবিধা বহলোৱাৰ কথাও চিন্তা কৰিব লাগে । গল্প আৰু উপন্যাসৰ ক্ষেত্ৰত নিম্নমানৰ প্ৰাদুৰ্ভাৱ থকা কথাটো স্বীকাৰ কৰিও এই কথা দৃঢ়তাৰে ক'ব লাগিব যে আন ভাৰতীয় ভাষাৰ সমপৰ্যায়ৰ গল্প, উপন্যাস আমাৰ ভাষাত ওলাইছে । জনজীৱনৰ বিভিন্ন দিশ সামৰি, বিষয়বস্তুৰ বাছনিৰ ক্ষেত্ৰত নতুনত্ব প্ৰদৰ্শন কৰি নতুন নতুন পৰীক্ষাৰে উলিওৱা অসমীয়া গল্প আৰু উপন্যাসৰ সোৱাদ যাতে আন ৰাজ্যৰ লোকেও পাব পাৰে আৰু অসমীয়া সাহিত্যৰ প্ৰকৃত মূল্যাংকন হ'ব পাৰে, তাৰ বাবে



বিভিন্ন ভাৰতীয় ভাষালৈ বছা বছা অসমীয়া গল্প, উপন্যাস অনুবাদ কৰাৰ ব্যৱস্থা এটা আমাক লাগে ।

অসমীয়া কবিতাৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা এটাৰ প্ৰয়োজন । নৱন্যাস যুগৰ বিবৰ্তনৰ মূৰত আধুনিক অসমীয়া কবিতাত নানান পৰীক্ষা চলিল । টি এছ ইলিয়টক পথদ্ৰষ্টা ৰূপে গণ্য কৰি অসমীয়া কবিতাই বিভিন্ন দুৱাৰ মুকলি কৰিলে । অসমীয়া কবিৰ নতুন পৰীক্ষাৰ মূৰত অপূৰ্ব কবিতাৰ সৃষ্টি হ'ল । অৱশ্যে এটা সময়ত প্ৰতীক বাছনি আৰু জটিলতাই পঢ়ুৱৈ সমাজৰ সমুখত ভেটা দিছিল যদিও অসমীয়া বাটকটীয়া কবিসকলে সেই সোঁতৰ গতি সলাই পেলালে । অসমীয়া কবিতাৰ সোৱাদ আনে পাব পৰাকৈ অনুবাদৰ বহল ব্যৱস্থা কৰাৰ বাবেও অনুৰোধ জনাই থলো ।

**নিভাঁজ অসমীয়া** : অসমীয়া ভাষাৰ সম্পৰ্কত এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব । আজিকালি অসমীয়া খণ্ড বাক্য আদিৰ ব্যৱহাৰ কমি গ'ল । নিভাঁজ অসমীয়া ঠাঁচটো নোহোৱা হৈ পৰিল । এইটো আমাৰে ক্ষতি । সহজ আৰু নিভাঁজ ঠাঁচটোৱেহে সৰ্বসাধাৰণৰ বেছি কাষ চাপি যাব পাৰিব । আজিকালি নিভাঁজ অসমীয়া শব্দ একোটা থকা সত্বেও কঠিন শব্দ একোটাহে ব্যৱহাৰ কৰা দেখা যায় ।

ভাষাৰ বিকৃতি আৰু বৰ্ণাশুদ্ধি আমাৰ আন দুটা বিকাৰ । তাৰ বিৰুদ্ধে কি কৰিব পৰা যায়—সেই বিষয়ে সভাই আলচ কৰি ফলদায়ক উপায় উলিয়াব লাগে । ইতিমধ্যে এই ক্ষেত্ৰত চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হৈছে । বিকৃত ৰুচিবোধৰ প্ৰসাৰৰ বিৰুদ্ধে প্ৰচেষ্টা হাতত লোৱাটোও আমাৰ কৰ্তব্য । পিচে দুখনমান কিতাপৰ বিৰুদ্ধে অভিযান চলায়েই আমি এই যুদ্ধ শেষ কৰিব নোৱাৰো । চিনেমা, দূৰদৰ্শনৰ বিৰুদ্ধেও অভিযান চলিব লাগিব । বিশেষকৈ চৰকাৰী দূৰদৰ্শনে বিজ্ঞাপনৰ লোভত বিকৃত ৰুচিবোধৰ ফেৰিৱলা হৈ সমাজৰ ক্ষতি সাধিছে ; দূৰদৰ্শনযোগে প্ৰদৰ্শিত নাট আদিৰ বিষয়বস্তুও সময়ত একে ধৰণেৰে বিকাৰগ্ৰস্ত হোৱা দেখা গৈছে ।

**শাখা সভা** : অসম সাহিত্য সভাৰ শাখা সভাবোৰক অধিক সক্ৰিয় কৰাৰ ব্যৱস্থা হাতত ল'ব লাগে । নিজ নিজ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত থকা চাহিদা, স্কুলৰ প্ৰয়োজনীয়তা, সাংস্কৃতিক ক্ষেত্ৰৰ অভাৱ, সাংস্কৃতিক সম্পদ, জনজাতীয় আৰু সংখ্যালঘিষ্ঠ জনগোষ্ঠীৰ সংস্কৃতি আদিৰ বিষয়ে সমীক্ষা চলোৱাৰ ভাৰ

দি বছৰি অন্ততঃ এটা বিষয়ৰ প্ৰতিবেদন কেন্দ্ৰীয় কাৰ্যালয়ক দিয়াৰ ব্যৱস্থা থাকিব লাগে। তদুপৰি সাংস্কৃতিক চৰ্চা কেন্দ্ৰ, গৱেষণাকেন্দ্ৰ আদি পতাৰ দায়িত্ব অৰ্পণ কৰাৰ উপৰিও প্ৰতি শাখাক স্থানীয় চাহিদা পূৰাব পৰাকৈ একোখন কিতাপ যুগুতাই উলিওৱাৰ দায়িত্বও দিব পাৰি।

কামত নহাকৈ নামতহে যাতে শাখা নেথাকে—তাৰ প্ৰতিও চকু ৰাখিব লাগে। নতুন শাখা গঠন কৰাৰ বেলিকাও বিশেষ সতৰ্কতা অৱলম্বন কৰাটো প্ৰয়োজনীয়।

**পুঁজি :** দান-বৰঙণি সংগ্ৰহ কৰা বিষয়ত আমাৰ চুবুৰীয়া পশ্চিমবঙ্গত আজি যি দুৰ্যোগৰ সৃষ্টি হৈছে, আমাৰ ৰাজ্যতো এতিয়া প্ৰায় অনুৰূপ অৱস্থাৰ সৃষ্টি হৈছে। জোৰ-জুলুম আৰু তিক্ততা বঢ়াৰ ফলত গোটেই পৰিবেশ বিষাক্ত হৈ পৰিছে। ইয়াৰ প্ৰতিবিধানৰ প্ৰয়োজন হৈছে। অসম সাহিত্য সভাই বৰঙনিৰ ক্ষেত্ৰত এটা নতুন আদৰ্শ দাঙি ধৰি বাটকটীয়াৰ ভূমিকা লওক।

সীমাবদ্ধভাৱে দান-বৰঙণি সংগ্ৰহ কৰাৰ প্ৰয়োজন নিশ্চয় হ'ব—কিন্তু সেয়ে বাৰোৱাৰী ধৰণৰ হ'ব নেলাগে। স্বতঃস্ফূৰ্তভাৱে দান-বৰঙণি দিব পৰা মানসিকতা এটা গঢ়ি তোলাৰো প্ৰয়োজন হৈছে। অতখিনি উচ্ছাস আৰু প্ৰেৰণা লৈ গঠন কৰিব খোজা জাতীয় ন্যাসৰ লক্ষ পৰা আজিও নিকৰুণভাৱে নিলগতে থাকিবলগীয়া হোৱা বাস্তৱৰ পৰিণতিয়েই আমাৰ মানসিকতাৰ দৈন্য উদঙাই দেখুৱাইছে। অসম সাহিত্য সভাৰ আগৰ কেইবাজনো সভাপতিৰ নেতৃত্বত সভাই অশেষ চেষ্টা চলায়ো ন্যাসৰ লক্ষ্য পূৰাব নোৱাৰিলে। অথচ ন্যাসৰ লক্ষ্য অনুসৰি যদি ১ কোটি টকা গোট খালেহেঁতেন, তেন্তে সেই সঞ্চিত টকাৰ সুদেৰেই অসম সাহিত্য সভাই আত্মনিৰ্ভৰশীল হৈ কাম কৰি বিভিন্ন দায়িত্ব ল'ব পাৰিলেহেঁতেন।

আজিও ঘৰে ঘৰে বিয়া-বাৰু হ'লে গৃহস্থই স্বতঃস্ফূৰ্তভাৱে গুৰুঘৰলৈ বুলি কাপোৰ এসাজ আৰু গুৰুঘৰীয়া মাননিৰ ধন আচুতীয়াকৈ থয়। ইয়াত কাৰো তাগাদা নাই—স্বতঃস্ফূৰ্তভাৱে এই কাম চলি থাকে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ স্বাৰ্থত তেনে এটা মানসিকতা গঢ়ি তোলাৰ উপায় উলিয়াব নোৱাৰিনে? জাৰ্মানীৰ হামবুৰ্গত 'একো জোপা গছ—অক্সিজেনৰ মৰুদ্যান' এই ধ্বনিৰে নৱ দম্পতিলৈ আহ্বান জনাইছিল—বিবাহ উপলক্ষে একোজোপা গছ ৰুবলৈ। আমিও বুকুত সাহ বান্ধি ৰাইজলৈ আহ্বান জনাব



নোৱাৰোনে—বিয়াবাৰু পাতিলে, চাকৰি পালে, পদোন্নতি হ'লে, সন্তান জন্ম হ'লে—তাৰে অন্ততঃ এটা উপলক্ষত অসম সাহিত্য সভালৈ টকা এটা আগবঢ়াবৰ বাবে? পিয়লৰ হিচাপলৈ মনত পেলালে দেখোন এনেকৈ পোৱা একোটা টকাই জাতীয় ন্যাসৰ লক্ষ্যকো চেৰাই যাব! যদি এই আহ্বান ফলৱতী হয়, তেন্তে শাখা সাহিত্য সভাবোৰক এটা বিশেষ দায়িত্ব দিব পাৰি। তেনেভাৱে পোৱা ধন শাখাসমূহে গোটাই কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব পাৰিব।

অসম সাহিত্য সভাই চৰকাৰী অনুদান পাব লাগে—মাত্ৰ তাত ৰাজনীতি সোমাব নেলাগে আৰু এই অনুদান চৰ্তাধীন হ'ব নেলাগিব। চৰকাৰী অনুদান লৈ সাহিত্য সভাই চৰকাৰৰ ওচৰত বইত পেলাই দিব লাগে বুলি ভাবি আগৰ ৰাজ্য চৰকাৰে ওভোতগোৱে নাচিব খুজিছিল যদিও অসমৰ ৰাইজেই তাৰ যোগ্য প্ৰত্যুত্তৰ দিলে। আগলৈকো আমি ৰাইজৰ ওপৰতে ভৰসা ৰাখিম—যাতে সাহিত্য সভাই হওক বা চৰকাৰেই হওক কাকো অবাটে যাবলৈ নিদিয়ে।

এইখিনিতে আৰু এটা কথা কৈ থোৱা ভাল হ'ব। আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ বাবে সামান্য পদক্ষেপ হিচাপে অসম সাহিত্য সভা আৰু শাখাসমূহে সভাৰ গৃহ নিৰ্মাণ কৰোতে ভাড়া দিয়াৰ সুবিধা ৰাখি নিৰ্মাণ কৰিলে ভাল। ব্যৱসায়ী হোৱা বুলি কোনোবাই সমালোচনা কৰিব পাৰে; কিন্তু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সম্পূৰ্ণ বিতৰাগ হৈ থকা লোকৰ পৰা বৰঙণি সংগ্ৰহ কৰাতকৈ এই কাম নিশ্চয় বেছি সন্মানজনক হ'ব। তদুপৰি বিভিন্ন প্ৰকাশন, কেলেণ্ডাৰ আদি উলিয়ায়ো উপাৰ্জনৰ পথ উলিয়াব পাৰি।

**আত্ম বিশ্লেষণ :** অসম সাহিত্য সভাৰ এতিয়া আত্মবিশ্লেষণৰো সময়। ক'ত বিচ্যুতি ঘটিছে, কোনবোৰ বিষয়ত উচিত ব্যৱস্থা ল'ব পৰা নাই, সভাৰ পূৰ্বৰ কোনবোৰ সিদ্ধান্ত কাৰ্যকৰী নোহোৱা অৱস্থাতে চাহ এৰা দিয়া হ'ল—এনেবোৰ কথাৰ বিচাৰ লৈ ভৱিষ্যতৰ বাবে প্ৰতিকাৰৰ ব্যৱস্থা হ'ব লাগে। অসম সাহিত্য সভাই জনমানসত বিশেষ স্থান অধিকাৰ কৰিছে যদিও একাংশ লোকৰ মনত বিৰোধ এতিয়াও আছে। আঁতৰি থকা তাৰে এভাগে ধাৰণা কৰে যে অসম সাহিত্য সভা 'regimented' ধ্যানধাৰণাৰ ভৰত দোঁ খাই পৰিছে। সেইদেখি এটা ধাৰাৰ পোষকতা কৰা

সকলৰ বাদে আনে ইয়াত সুযোগ নেপায় আৰু সেই কাৰণেই স্বীকৃতি পাব-লগীয়া কিছুমানে স্বীকৃতি নেপালে বুলি এইটো মহলে ধাৰণা কৰে। এই ধাৰণা অমূলক বুলি কাৰ্যৰ দ্বাৰা অসম সাহিত্য সভাই প্ৰমাণ দাঙি ধৰি মনৰ সুকীয়া চুবুৰী গঠন কৰা এই চাম লোকৰ চুবুৰী ভঙাৰ ব্যৱস্থা লোৱা উচিত। শত পুষ্প বিকশিত হওক—এই ধ্বনি সাহিত্য সভাই তুলিব নোৱৰাৰ কাৰণ নাই। সাহিত্য সভাৰ মঞ্চত থিয় দি কোনোবাই কিবা এষাৰ কলেই সেইটো সাহিত্য সভাৰ মত হৈ নেযায়। মুকলি চিন্তাৰ পথ বহল হোৱাটোহে আমি বিচাৰো।

আন এচাম সাহিত্য সভাৰ পৰা আঁতৰি আছে—নিজৰ উচ্চাভিলাষিকা মনোভাৱৰ ভৰত। তেওঁলোকে সাহিত্য সভা মানসিকভাৱে তেওঁলোকতকৈ বহুত তলত থকা বুলি ভাবে। পিচে গজদন্তৰ মিনাৰত বহি ৰাইজৰ পৰা বিচ্ছিন্ন হৈ এইসকলে ৰাইজৰ সাহিত্যৰ প্ৰকৃত সেৱা কেনেকৈ কৰিব—সেইটোহে সাঁথৰ। বিদ্যাই বিনয় দান কৰে হেনো। সেই ভাৰসাতে আমি আশা কৰিম যাতে উচ্চাভিলাষিকা মনোভাৱক ক্ষয় নিয়াই সেই বিনয় ভাবেই সেই চামক সাহিত্য সভাৰ মাজলৈ অনাত সহায় কৰে।

তৃতীয়তে আৰু এটা চাম আছে—যিসকলে জাতি-ধৰ্ম আদিৰ আঁহ ফালি সাহিত্য সভা পতাৰ বাবে চেষ্টা চলায়। ৰাজনীতিজনিত এই বেমাৰ দূৰ কৰাৰ বাবে সবল জনমত গঠন কৰাটোৱেই একমাত্ৰ নিদান বুলি ধাৰণা হয়।

আমাৰ মনত থিতাপি লোৱা কুঠৰীবোৰ ভঙাৰ বাবেও আমি আত্ম সমা-লোচনাৰ আশ্ৰয় লবৰ হ'ল। বিভিন্ন বিচাৰ-বিবেচনাই গঠন কৰা মনৰ চুবুৰীবোৰে সাহিত্যত আত্মপ্ৰকাশ কৰি সৃষ্টি কৰা সমস্যাবোৰ সমাধান কৰাৰ বাবে তেতিয়াহে সুচল উলিয়াব পৰা হ'ল। আমি মুকলিভাৱে এই ত্ৰুটী স্বীকাৰ নকৰো—কিন্তু তাক স্বীকাৰ কৰি লৈ সাহসেৰে এই বিকাৰ আঁত-ৰাবলৈ কঁকালত টঙালি বান্ধি ল'ব লাগিব।

আমি সাম্প্ৰতিক পৰিস্থিতিৰ সন্মুখত থিয় দিবলৈ কেতবোৰ সতৰ্ক পদক্ষেপ দিব লাগিব। আমাৰ মনৰ মাজত ৰক্ষণশীলতাৰ বীজ যে আজিও আছে, আজিও যে সুযোগ বুজি নিজৰ নিজৰ গণ্ডীৰ ভিতৰত শোষণৰ সুযোগ গ্ৰহণ কৰো—তাক আমি স্বীকাৰ নকৰিলেও তাৰ প্ৰতিফলন বিভিন্ন কাৰ্যক্ষেত্ৰত দেখিবলৈ পোৱা যাব। সেইবোৰ কথাৰ সমাহাৰতে নূৰকত



একো একোটা সমস্যাৰ সৃষ্টি হৈছে। এতিয়া জোৰ পুৰি হাত পোৱাৰ সময়ত আমি সাহিত্যৰ মাধ্যমেৰে নতুন চেতনাৰ সৃষ্টি কৰি এনে বিকাৰৰ জইন মাৰিবলৈ আত্মনিয়োগ কৰিব লাগিব। সাহিত্যত প্ৰতিফলিত হোৱা উদাৰতা আৰু সমতাৰ ভাবে এটা নতুন পৰিবেশ ৰচনা কৰিব।

অনা-অসমীয়া লোকক অসমীয়া ভাষাৰ সৈতে পৰিচিত কৰাৰ ক্ষেত্ৰত আমাৰ আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল —সেইসকল লোকক আকৰ্ষণ কৰিব পৰাকৈ কিতাপ-পত্ৰ আগবঢ়াই দিবলৈ চেষ্টা কৰাটো। অসম চুক্তিয়ে বান্ধি দিয়া সময়-সীমাৰ ভিতৰত পৰা যিসকল লোকক ভাৰতীয় নাগৰিক ৰূপে স্বীকৃতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে—সেইসকলৰ ক্ষেত্ৰত আমাৰ বিশেষ দায়িত্ব আছে। সেইদেখি চৰ অঞ্চলকে ধৰি বিশেষ কিছুমান অঞ্চলত সভাৰ তৰফৰ পৰা সমীক্ষা চলাই তেওঁলোকৰ শৈক্ষিক আৰু সাংস্কৃতিক চাহিদা, তেওঁলোকৰ সাংস্কৃতিক সম্পদ আদিৰ সন্ধান ল'ব লাগে ; তেওঁলোকৰ এনে বিষয়ৰ অভাৱ পূৰণ কৰাৰ ক্ষেত্ৰতো সহায়ৰ হাত আগ বঢ়াব লাগে। মূল সুঁতিৰ মাজলৈ তেওঁলোকক অনাৰ বাবে ইছলামী সাহিত্যৰ বিস্তৃত আলোচনাৰ পটভূমিত সকলো ভুল ধাৰণা দূৰ কৰাৰ বাবে চেষ্টা চলাব লাগে।

সেইদৰে চাহ শ্ৰমিকসকলৰ মাজতো বিশেষ কাৰ্যব্যৱস্থা লৈ তেওঁলোকৰ শৈক্ষিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ অভাৱ পূৰণ কৰাৰ বাবে যত্নপৰ হ'ব লাগিব। বৰাক উপত্যকাত খিলঞ্জীয়া লোকসকলকো এনে কাৰ্য-ব্যৱস্থাৰ মাজত সামৰি ল'ব লাগিব।

বড়ো জনজাতিকে ধৰি বিভিন্ন জনজাতিৰ সাংস্কৃতিক সম্পদৰ সংৰক্ষণ আৰু সম্বৰ্দ্ধনৰ বাবেও বিশেষ কাৰ্য ব্যৱস্থা আমি হাতত ল'ব লাগিব। জনজাতীয়সকলৰ গীত, কাহিনী আদি অসমীয়ালৈ অনুবাদ কৰি এইবোৰ সম্পদক মূল সুঁতিলৈ প্ৰবাহিত কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইদৰে অসমীয়া ভাষাৰ সম্পদ ৰাজিও জনজাতীয় ভাষালৈ-অনুবাদ কৰিব লাগে।

আমাৰ চুবুৰীয়া নগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম মেঘালয় আৰু মণিপুৰৰ লগতো আমাৰ সাংস্কৃতিক সম্পৰ্ক বৃদ্ধি কৰিব লাগে। সম্প্ৰতি ৰাজনৈতিক তিক্ততাই এই অঞ্চলৰ কেতবোৰ ৰাজ্যৰ মাজত সম্পৰ্কৰ অৱনতি ঘটাইছে। সেই সম্পৰ্কৰ উন্নতি সাধিবৰ বাবে অধিক আদান প্ৰদানৰ

প্ৰয়োজন ; তদুপৰি সেইবোৰ অঞ্চললৈ গৈ সমীক্ষা, গৱেষণা আদিৰ যোগেদি তেওঁলোকৰ কেতবোৰ সমস্যাৰ বিচাৰ লৈ সমস্যাৰ সমাধানৰ বাবে তেওঁলোকক সহায় কৰা উচিত। এইক্ষেত্ৰত নগালেণ্ডৰ নাগাজিম ভাষাৰ ব্যাকৰণ অসমৰ পৰা যুগুতাই দিয়াৰ কথা উল্লেখ কৰিব পাৰি ; তেনে উদাহৰণে আন ক্ষেত্ৰতো প্ৰেৰণা দিব বুলি ভাবিছো। কলা-সংস্কৃতিৰ সংৰক্ষণ, গৱেষণা আদিৰ বিষয়ে এই চুবুৰীয়া ৰাজ্যকেইখনে উমৈহতীয়া কেন্দ্ৰ এটাও গুৱাহাটীত বা আন ৰাজ্যৰ কোনো ঠাইত পাতিব পাৰে।

**মেলামুখী, আড়ম্বৰপূৰ্ণ :** অসম সাহিত্য সভা মেলামুখী হোৱা আৰু অত্যধিক আড়ম্বৰপূৰ্ণ হোৱা বুলি অভিযোগ উঠি আছে। সাহিত্য সভাৰ অধিবেশনত যিদৰে বিপুল জনসমাবেশ হয়, তেনে উদাহৰণ অসমৰ বাহিৰে আন কোনো অঞ্চলতে পোৱা নেযাব। এনে জন সমাবেশ হোৱাটো দোষনীয় কথা নহয় ; যি আকৰ্ষণৰ বাবেই সমাবেশ নহওক—জনসমাবেশক জড়িত কৰাৰ যোগাত্মক প্ৰচেষ্টা হাতত লোৱাটোহে ঘাই কথা। সাহিত্যক জনসাধাৰণৰ কাষ চপাই নিয়াটোৱেই আমাৰ লক্ষ্য হোৱা উচিত যেতিয়া সভাৰ অধিবেশনত জন সমাবেশ ঘটা বাবে বিৰূপ মনোভাব লোৱাটোও উচিত নহয়।

এই সুযোগ গ্ৰহণ কৰি সাহিত্যৰ মাধ্যমেৰে জনসাধাৰণৰ ইচ্ছা-আকাংক্ষা পূৰণ কৰাৰ বাবে ব্যৱহাৰিক চাহিদা কেতবোৰ পূৰণ কৰাৰ ব্যৱস্থা হ'ব লাগে। জনসাধাৰণৰ দৈনন্দিন প্ৰয়োজনীয় বিষয়ৰ সহজ-সৰল কিতাপ কিছুমান প্ৰকাশ কৰি আমি ৰাইজৰ ইচ্ছা-আকাংক্ষা পূৰণ কৰিব পাৰো। খেতিবাতি, স্বাস্থ্যৰক্ষা, বোৱা-কটা, সৰুসুৰা উদ্যোগ, ৰাসায়নিক সাৰ, বিভিন্ন হাতৰ কাম আদি বিবিধ বিষয়ৰ কিতাপেৰে জনসাধাৰণক প্ৰকৃতাৰ্থত কাষ চপাই আনিব পৰা হ'ব।

তদুপৰি যি ঠাইত অসম সাহিত্য সভাৰ অধিবেশন পতা হয়, সেই ঠাইত সৰ্বসাধাৰণ ৰাইজৰ কেতবোৰ অভাৱ পূৰণ কৰাৰ বাবেও বিশেষ ব্যৱস্থা ল'ব পাৰি। পুথিভঁৰাল, সভা-ঘৰ, বিদ্যালয়, ছোৱালীৰ বাবে হাতৰ কামৰ শিক্ষা-কেন্দ্ৰ, লৰাৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ—ইত্যাদি ধৰণৰ ব্যৱস্থা কৰিবৰ বাবে অধিবেশনত সংগৃহীত ধনৰ এটা অংশ আচুতীয়াকৈ ৰখাৰ নিয়ম প্ৰৱৰ্তিত হ'ব লাগে।



সভাৰ অধিবেশন আড়ম্বৰপূৰ্ণ হোৱা অভিযোগটো অৱশ্যে নুই কৰাৰ উপায় নাই। এই ক্ষেত্ৰত খৰচ কমাব লাগে। খৰচৰ সৰ্বোচ্চ পৰিমাণ এটা নিৰ্দিষ্ট কৰি দিব লাগে। আড়ম্বৰপূৰ্ণ শোভাযাত্ৰাকে ধৰি কেতবোৰ ব্যয়বহুল ব্যৱস্থা পৰিহাৰ কৰা উচিত। অধিবেশনৰ বাবে সংগৃহীত ধনৰ হিচাপ নিৰ্দ্ধাৰিত সময়ত দিয়াৰ ব্যৱস্থা কৰিব লাগে—তেনেদৰে হিচাপ নিদিলে ভৱিষ্যতে তেনে ঠাইত অধিবেশন নপতাৰ সিদ্ধান্ত লোৱা উচিত। ৰাহি হোৱা ধনৰ এটা অংশ স্থানীয় উদ্যোক্তাসকলক দিয়াৰ লগতে সেই স্থানত শিক্ষা, কলা-সংস্কৃতিৰ লগত জড়িত কোনো অনুষ্ঠান পতাৰ দিহা কৰিব লাগে। মূল সভালৈ পঠাবলগীয়া ধনৰ ভাগ পঠোৱাটোও কঠোৰ ভাৱে কাৰ্যকৰী কৰিব লাগে।

অসম সাহিত্য সভা বছৰি পতাৰ ব্যৱস্থা কৰাৰ ফলত সভাপতি প্ৰমুখ্যে বিষয়ববীয়াসকলে আচনি কৰি কামত আগবঢ়াৰে থল নাথাকে। এই অসুবিধা দূৰ কৰাৰ বাবে কাৰ্যকাল বঢ়োৱাৰ কথা বিবেচনা কৰা উচিত।

**অশুভ ধাৰা ঃ** সাহিত্য বোৱতি সুঁতিৰ দৰে—পিতনিত সুস্থ সাহিত্যৰ সৃষ্টি নহয়। সেইদেখি আমি পিতনি গঢ়াৰ লক্ষ্য নলৈ বহল দৃষ্টিকোণেৰে আগবাঢ়িব লাগিব—বাহিৰৰ লগত আদান-প্ৰদান থাকিব লাগিব। আনৰ ভালখিনি গ্ৰহণ কৰাৰ সাহস যেনেকৈ থাকিব লাগিব ঠিক সেই দৃঢ়তাৰে নিজৰ ভালখিনিৰ সংৰক্ষণ আৰু সম্বৰ্দ্ধনৰ বাবেও আত্মনিয়োগ কৰিব লাগিব। সম্প্ৰতি আমাৰ মাজত অশুভ ধাৰা এটা পৰিলক্ষিত হৈছে—অন্ধ অনুকৰণৰ পথ লৈ আমাৰ নিজস্ব সম্পদৰ কথা কিছুমানে পাহৰি গৈছে। ভাৰতৰ গৌৰৱোজ্জ্বল ঐতিহ্যকে বাতিল কৰিব খোজা এই ধাৰাৰ প্ৰতি সজাগ হৈ তাৰ প্ৰতিকাৰৰ কথাও আমি ভাবিবৰ হ'ল।

অৱশ্যে আমি নিজক পাহৰাৰ এই গতি অসমত তুলনামূলকভাবে তীব্ৰ হৈ উঠা নাই যদিও তাৰ খোজৰ শব্দ স্পষ্টভাৱে কাণত পৰিছেহি। আমাৰ নীতিৰ ত্ৰুটীয়েও এই ক্ষেত্ৰত অৰিহনা যোগাইছে। ৰাজনীতিৰ তাগাদাত আমি সংস্কৃত ভাষাক এলাগী কৰি অতীতৰ দুৱাৰখনকে জপাই থোৱাৰ ব্যৱস্থা কৰিলো। আনহাতে ৰাজনীতিবিদৰ উদ্ভট কল্পনাই শৈক্ষিক বিষয়ত অনুপ্ৰবেশ কৰাৰ ফলতে আমি বুৰঞ্জীকো এলাগী কৰিলো। সংহতি গঢ়াৰ স্বাৰ্থত হেনো এই নীতি লোৱা হৈছে—যাৰ বাবে অসম

বুৰঞ্জী আজি স্কুলত অস্পৃশ্য হৈ পৰিল। অসম আৰু ভাৰতক জনাৰ বাট মৰাৰ বাবে লোৱা এইবোৰ ব্যৱস্থাৰ ফলতে আজিৰ অসুস্থ পৰিবেশৰ সৃষ্টি হৈছে।

আনহাতে অসমত অসমীয়া ভাষাৰ কাৰণে গুৰুতৰ সংকটৰ সৃষ্টি কৰিব পৰাকৈ সমগ্ৰ ৰাজ্য জুৰি ইংৰাজী মাধ্যমৰ স্কুল বিয়পি পৰিছে। এইবোৰ স্কুলৰ গুণাগুণকে ধৰি কোনো বিষয়ৰে বিচাৰ চৰকাৰৰ তৰফৰ পৰা লোৱা নাই। আঞ্চলিক ভাষাৰ কাৰণে এইবোৰ স্কুলৰ প্ৰায়ভাগৰে দুৱাৰ বন্ধ। অথচ অন্যান্য ৰাজ্যত আঞ্চলিক ভাষাক এৰৰীয়া কৰি ইংৰাজী মাধ্যমৰ স্কুল চলিব পৰা নাই। কৰ্ণাটক, মহাৰাষ্ট্ৰ আদিত চৰকাৰৰ নীতিয়েই ইংৰাজী মাধ্যমৰ স্কুলক নিৰুৎসাহ কৰিছে। অসম চৰকাৰেও ইংৰাজী মাধ্যমৰ স্কুলৰ বিষয়ে স্পষ্ট নীতি শীঘ্ৰে ঘোষণা কৰিব লাগে।

এনে প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ বাবে আৰু অসমীয়াৰ মাজতে ভুমুকি মৰা নীচাত্মিকা মনোভাৱ দূৰ কৰিবৰ বাবে প্ৰাথমিক শিক্ষাৰ মহলাৰ পৰা অসমীয়া ভাষাৰ শিক্ষাৰ উন্নতি সাধিব লাগিব। প্ৰাথমিক স্কুলৰ ঘৰ নিৰ্মাণ কৰাৰ বাবে সম্প্ৰতি ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থা অতিশয় আদৰণীয়। এই সঠিক পদক্ষেপে প্ৰাথমিক শিক্ষাৰ নতুন দিগন্ত মুকলি কৰাৰ লগতে বৰ্ণা-শুদ্ধি আদিৰ বিকাৰ দূৰ কৰাতো ভৱিষ্যতে সহায় কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

অসমীয়া সাহিত্যই উচ্চতৰ স্থান দখল কৰিব পৰা ধৰণৰ উচ্চতৰ পৰ্য়ায়ৰ ৰচনা সম্প্ৰতি নোহোৱাটো দুখৰ কথা। এই অভাৱ পূৰোৱাৰ বাবে আমি অধিক প্ৰচেষ্টা চলাব লাগিব—তাৰ বাবে প্ৰেৰণা যোগোৱাৰ লগতে পৰিবেশো গঢ়ি তুলিব লাগিব। তাহানি জোনাকী যুগ, বাঁহীযুগ, আৱাহন যুগ, জয়ন্তীযুগ, ৰামধেনু যুগ ৰচিত হোৱাৰ দৰে আজি কোনো এটা অৱলম্বনৰ ভেটিত এটা নতুন যুগৰ চল বোৱাব নোৱাৰাটোও পৰিলক্ষিত হৈছে।

**ৰাজ্যভাষা : মাধ্যম :** আঞ্চলিক ভাষাক ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম ৰূপে প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আনবোৰ ৰাজ্য আমাতকৈ বহুত আগবাঢ়ি গ'ল। তাৰে দুটামান উদাহৰণ স্বৰূপে ক'ব পাৰি যে পঞ্জাবত চৰকাৰী কাম ৰাজ্যভাষাত পৰিচালনা কৰাত চাকৰিয়ালে গাফিলি কৰিলে শাস্তি



দিয়াৰ ব্যৱস্থা আইনত ৰাখি ৰাজ্যভাষা প্ৰয়োগ কৰিছে। ১৯৬৮ চনতে পঞ্জাবত এই নিৰ্দেশো জাৰি কৰা হৈছিল যে শিক্ষান্ত পৰীক্ষালৈকে পঞ্জাবী ভাষা নপঢ়া লোকে পঞ্জাবত চাকৰিৰ প্ৰাৰ্থী ৰূপে থিয় দিব নোৱাৰে। সেইদৰে উৰিষ্যাতো ৰাজ্যভাষা প্ৰবৰ্তনৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা কটকটীয়া ভাৱে হাতত লৈছে। কৰ্ণাটক, মহাৰাষ্ট্ৰ আদি ৰাজ্যতো আঞ্চলিক ভাষাত শিক্ষা দান কৰা আৰু ৰাজ্যভাষা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিবিধ ব্যৱস্থা ইতিমধ্যে লৈ সফলতা লাভ কৰিছে। ৰাজ্যভাষা প্ৰয়োগ কৰাৰ বেলিকা সংখ্যালঘু ভাষাভাষী অঞ্চললৈ চৰকাৰী নিৰ্দেশ অনুবাদ সহ পঠোৱাৰ ব্যৱস্থা ৰাখি সমগ্ৰ ৰাজ্যতে ৰাজ্যভাষা প্ৰয়োগ কৰা হৈছে। সেইদৰে শিক্ষাদান কৰা ক্ষেত্ৰতো এই দুয়োখন ৰাজ্যই আঞ্চলিক ভাষা প্ৰয়োগ কৰাৰ বেলিকা বিস্তৰ ব্যৱস্থা লৈছে। ইংৰাজী মাধ্যমৰ স্কুলো নিয়ন্ত্ৰিত হৈ পৰিছে—চৰকাৰৰ নীতিৰ ফলতে।

কিন্তু এইবোৰ ৰাজ্যত আমাৰ ইয়াৰ দৰে হৈ-চৈ লগা নাই। শিক্ষক, চকীমেজ আৰু কোঠা নোহোৱা বাবে শ্ৰেণী বহুৱাবলৈ সুবিধা নাই বুলি ৰাজ্য চৰকাৰক আপত্তি জনাওঁতেই ৰাজ্য চৰকাৰে অসমীয়া ভাষাৰ বিষয়টো অনা-অসমীয়া মাধ্যমৰ স্কুলত পঢ়ুৱাটো স্থগিত ৰখাৰ নিচিনা উদ্ভট কথা অসমতহে সম্ভৱপৰ হ'ব পাৰে। আঞ্চলিক ভাষাক মাধ্যম ৰূপে প্ৰয়োগ কৰাৰ কথা ইয়াত নাছিল। মাত্ৰ অসমীয়া বিষয়টো বাধ্যতামূলক বিষয় হিচাপে পঢ়ুওৱাৰ দিহা দিয়া হৈছিল। এনে আঠু ভঙা চৰকাৰী নীতিৰ বাবেই আমাৰ স্থিতি এতিয়াৰ পৰ্যায়লৈ নামিছে।

**কেইটামান পৰামৰ্শ :** কিন্তু আমি আৰু কিমান তললৈ নামিম? আপোচৰ পিচত আপোচ কৰি অহাৰ মূৰত এতিয়া স্থিৰ সিদ্ধান্ত ল'বৰ হ'ল। ১৮৩৭ চনৰ পৰা এতিয়ালৈকে আমি মাত্ৰ অসমীয়া ভাষাৰ স্থিতিৰ কথা লৈ যুঁজাতে ব্যস্ত থাকিম নে?

সেইদেখি ইতিমধ্যে আলোচনা কৰা ধৰণৰ ব্যৱস্থাৰ পটভূমিত অসমত এটা ৰেহা লগাবই লাগিব। আমাৰ তৰফৰ পৰা সাম্প্ৰতিক সমস্যাবোৰৰ সকলো দিশ সামৰি সমস্যাৰ সমাধানৰ হকে তলত দিয়া কথাকেইটা সকলোৰে বিচাৰৰ বাবে আগবঢ়ালো :—

(১) অর্থনৈতিক সমস্যাই সৃষ্টি কৰা অসন্তুষ্টিয়ে যাতে বিভ্ৰান্তিৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে বৰাক উপত্যকা, কাৰবিং আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা, চাহ শ্ৰমিকৰ বসতিপ্ৰধান অঞ্চল, বড়ো, মিচিং, ৰাভা আদি জনজাতীয় লোকৰ বসতিপ্ৰধান অঞ্চল, চৰ অঞ্চলকে ধৰি মুছলমান জনবসতিপ্ৰধান অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে শীঘ্ৰে বিশেষ কাৰ্যব্যৱস্থা হাতত লব লাগে।

অৰ্থনৈতিক ক্ষেত্ৰলৈ আওকাণ কৰি থাকিলে বিপদহে বাঢ়ে। একা-লত দেশ বিভাজনৰ পিচত মিজোৰামৰ (তেতিয়া অৱশ্যে মিজোৰাম নাম-কৰণেৰে ৰাজ্য হোৱা নাছিল) সীমান্তৰ বাণিজ্য বন্ধ হৈ যোৱাৰ ফলত সৃষ্টি হোৱা গুৰুতৰ অৰ্থনৈতিক সংকটৰ প্ৰতি মনোনিবেশ কৰি প্ৰতিকাৰৰ ব্যৱস্থা হোৱা হ'লে সেই অঞ্চলত বিদ্ৰোহেই নহ'লহেঁতেন। সেইদৰে দেশ বিভাজনৰ ফলত সীমান্তৰ ব্যৱসায় হেৰুওৱা গাৰো পাহাৰ আৰু খাছী-জয়ন্তীয়া পাহাৰৰ গুৰুতৰ অৰ্থনৈতিক সমস্যাৰ সমাধানৰ বাবে তৎ-কালীন ব্যৱস্থা হোৱা হ'লে হয়তো স্বকীয় পাৰ্বত্য ৰাজ্যৰ কথাই নুঠিল-হেঁতেন।

(২) ভূমি ব্যৱস্থাৰ ক্ষেত্ৰত জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে পূৰ্ণাঙ্গ ব্যৱস্থা ল'ব লাগে।

(৩) বড়ো, মিচিং, কাৰবি, ৰাভা আদি জনজাতীয় ভাষা, সংস্কৃতিৰ উন্নতিৰ বাবে আৰু সাংস্কৃতিক সম্পদৰ সংৰক্ষণৰ বাবে ব্যাপক কাৰ্যসূচী হাতত ল'ব লাগে।

(৪) প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ জৰিয়তে শিক্ষা দান কৰিব লাগে। কিন্তু সেই ব্যৱস্থাই মাধ্যমিক পৰ্যায়তো মাতৃভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ বাবে দায়বদ্ধ কৰা বুলি পৰিগণিত হ'ব নেলাগে।

(৫) বড়ো আদি জনজাতীয় ভাষাৰ কিতাপ প্ৰকাশ কৰাৰ বাবে চৰকাৰী ভাৱে ব্যৱস্থা ল'ব লাগে।

(৬) বড়ো ভাষাক সহযোগী ভাষা ৰূপে জনজাতিৰ সংখ্যাগৰিষ্ঠতা থকা জিলা আৰু মহকুমাত পূৰ্ণাঙ্গভাৱে ব্যৱহাৰ কৰিব লাগে। বড়ো ভাষাৰ মাধ্যম সম্পৰ্কেও সম্প্ৰতি ৰখা অন্যান্য ব্যৱস্থা বাহাল থাকিব।

(৭) বিৰোধ দূৰ কৰাৰ বাবে প্ৰয়োজন হ'লে চাৰিভাষাৰ সূত্ৰ গ্ৰহণ।



(৮) মাটিকে ধৰি সকলো বিষয়তে কাৰবি আংলং জিলাত কাৰবি-সকলক শোষণমুক্ত কৰি উন্নত পৰ্যায়লৈ নিয়াৰ বিশেষ ব্যৱস্থা;

(৯) কাৰবি বাইজৰ স্বাৰ্থ পূৰণ কৰিব পৰাকৈ স্বায়ত্ব শাসিত জিলাৰ বিধিব্যৱস্থাৰ পৰিবৰ্তন।

(১০) স্বীকৃত ভাষা-নীতিৰ গাথনিৰ ভিতৰত মিচিং ভাষাৰ সম্বৰ্দ্ধনৰ বাবে মিচিং জনজাতিৰ বসতিপ্ৰধান জিলাত বিশেষ ব্যৱস্থা।

(১১) চাহ শ্ৰমিকৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা; চাহ শ্ৰমিকক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰা বিষয়ত সতৰ্ক পদক্ষেপ।

(১২) বৰাক উপত্যকাত বাংলা ভাষাৰ স্থিতি সম্পৰ্কে চৰকাৰে পুনৰ ব্যাখ্যা কৰি আশ্বাস দান কৰিব লাগে।

(১৩) বৰাক উপত্যকাৰ খিলঞ্জীয়া যিসকল লোকে অসমীয়া পঢ়িব খোজে, তেওঁলোকক সেই সুবিধা দিব লাগে আৰু সেই উপত্যকাত কাম কৰা অসমীয়া বিষয়া-কৰ্মচাৰীৰ ল'ৰা-ছোৱালীক অসমীয়াতে পঢ়াৰ সুবিধা দিব লাগে।

(১৪) ৰাজ্যভাষা অসমীয়াক পূৰ্ণাঙ্গভাৱে চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিব লাগে। এই কামত শিথিলতা দেখুওৱা চাকৰিয়ালৰ বিৰুদ্ধে শাস্তি-মূলক ব্যৱস্থা ল'ব লাগে। অনা-অসমীয়া চাকৰিয়ালক অসমীয়া শিকিবলৈ বিশেষ সুবিধা দিব লাগে। তেনে অৰ্হতা লাভ কৰা সেইসকল চাকৰিয়াল পদোন্নতি, অতিৰিক্ত বৃদ্ধি আদি পোৱাৰ যোগ্য হ'ব লাগে। ৰাজ্য চৰ-কাৰৰ অধীনস্থ চাকৰিত অসমীয়া জনাটো বাধ্যতামূলক হ'ব লাগে আৰু বাছনি পৰীক্ষাত বাধ্যতামূলক ভাৱে অসমীয়া কাকত এখনৰ পৰীক্ষা ল'ব লাগে।

(১৫) শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত থকা সাম্প্ৰতিক ব্যৱস্থা পূৰ্ণাঙ্গ ভাৱে কাৰ্যকৰী কৰিব লাগে।

(১৬) অনা-অসমীয়া মাধ্যমৰ স্কুলত অসমীয়া পঢ়ুওৱাৰ ব্যৱস্থা যদি সংশ্লিষ্ট স্কুলে মানি নলয়, তেন্তে কেতিয়া, কোন শ্ৰেণীৰ পৰা আৰু কেনে ধৰণেৰে অসমীয়া পঢ়ুৱাব সেই বিষয়ে সিদ্ধান্ত ল'বলৈ সেইবোৰ স্কুলকে ভাৰ দিব লাগে।

চৰকাৰৰ নীতিও সেয়ে হ'ব লাগে।

**বঁটা প্ৰদান :** এটা নতুন জাগৰণৰ সূচনা স্বৰূপে অসম সাহিত্য সভাৰ তৰফৰ পৰা বুজন পৰিমাণৰ ধনৰ বঁটা আগবঢ়োৱাৰ ব্যৱস্থা কৰা উচিত। অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগৰ সৰ্বশ্ৰেষ্ঠ ৰচনাৰ বাবে এবছৰ এটা বিষয় বাছি আনটো বছৰত আন এটা বিষয় বাছি লৈ এনে অনুক্ৰমে বঁটা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সভাৰ তৰফৰ পৰা বঁটা দিয়াৰ সাম্প্ৰতিক যিবোৰ ব্যৱস্থা আছে, সেইবোৰৰ উপৰিও নতুন চামৰ লেখক-লেখিকাসকলক বঁটা দিয়াৰ বিশেষ ব্যৱস্থা এটাও হ'ব লাগে। তদুপৰি জনজাতীয় অসমীয়া লেখকৰ গ্ৰন্থৰ বাবে, আৰু অনা-অসমীয়া, অজনজাতীয় লেখকৰ বাবেও বঁটা দিয়াৰ দিহা কৰা উচিত।

অসমীয়া সাহিত্যত শিক্ষা, বিজ্ঞান, দৰ্শন, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ মৌলিক গ্ৰন্থৰ অভাৱ দূৰ কৰাৰ বাবে এনেধৰণৰ কিতাপ যুগুতাবৰ কাৰণে বঁটা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে।

এইখিনিতে বিশিষ্ট সাহিত্যিক শ্ৰীচগনলাল জৈন আৰু তেখেতৰ পৰিয়ালে অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাৰ বাবে বুজন পৰিমাণৰ ধনৰ বঁটা আগবঢ়োৱা কথা উল্লেখ কৰি সেই পৰিয়াললৈ আমাৰ শ্ৰদ্ধা নিবেদন কৰিলো। এনে আদৰ্শই আনকো তেনে ব্যৱস্থা লবলৈ প্ৰেৰণা যোগাব বুলি আমি আশা ৰাখিছো।

**সভাই কৰিবলগীয়া আন দুটামান কথা :**

(১) আমাৰ অভিধান কেইখনত সকলো শব্দ সামৰি লোৱা নাই। সেইবোৰ সামৰি লোৱাৰ উপৰিও ৰাজ্যৰ বিভিন্ন অঞ্চলত ব্যাপক ভাৱে প্ৰচলিত শব্দসমূহো সামৰি আৰু বড়ো আদি বিভিন্ন জনজাতীয় ভাষাৰ শব্দও অন্তৰ্ভুক্ত কৰি এখন ডাঙৰ অভিধান ৰচনা কৰাৰ প্ৰয়োজন হৈছে। এই কামত চৰকাৰ আৰু সভাৰ মাজত হেতাওপৰা হ'ব নেলাগে। ৰাজ্য চৰকাৰে এই দায়িত্ব ল'লে অসম সাহিত্য সভাই তাৰ সলনি অসমৰ সাংস্কৃতিক বুৰঞ্জী এখন যুগুত কৰাৰ দায়িত্ব ল'ব লাগে।

(২) দৈনন্দিন প্ৰয়োজনীয় শব্দাৱলীৰ অসমীয়া পৰিভাষাৰো প্ৰয়োজন। উদ্যোগ, ব্যৱসায়-বাণিজ্য, কাৰ্যালয়, বাতৰি কাকত আদিৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা সকলো শব্দৰ প্ৰতিশব্দ যাতে থাওকতে পাব পাৰি, সেই উদ্দেশ্যেৰে এনে এখন পুথি যুগুতাব লাগে।



অৱশ্যে শব্দ বাছনিত ৰক্ষণশীল দৃষ্টিকোণ থাকিব নেলাগে। আমি পুলিচক আৰক্ষী পাতি, মাটি হাকিমক উপপ্ৰতি সমাহৰ্তা পাতি দেশোদ্ধাৰ কৰা নাই নিশ্চয়।

(৩) শিশু সাহিত্যৰ প্ৰতি অধিক সতৰ্কতা আৰু অধিক পৰিকল্পনাৰ প্ৰয়োজন। সম্প্ৰতি স্পাইডাৰ মেন, ফেণ্টম আদিয়ে আৰু কাৰ্টুনসমূহে ল'ৰা-ছোৱালীৰ মন উতলা কৰিছে। তালৈ চাই অসমীয়া ভাষাতো নতুন উদ্যম লোৱাৰ প্ৰয়োজন। আমাৰ বিষয়বস্তুবোৰ এই উদ্দেশ্যেৰে কামত লগাব লাগে। ইতিমধ্যে কিছু চেষ্টা চলিছে ; কিন্তু ভাষাৰ বিজুতিয়ে সময়ত হতাশ কৰি দিয়ে।

শিশু সাহিত্যৰ অভাৱ পূৰাবৰ বাবে কেইবা বছৰীয়া পৰিকল্পনা এখন যুগুতাই সভাৰ তৰফৰ পৰা চেষ্টা চলাব পাৰি। প্ৰকাশৰ দায়িত্ব প্ৰকাশকসকললৈ এৰি সভাই বিভিন্ন বিষয়ৰ কিতাপ লিখাই আৰু অনুবাদ কৰাই লোৱাব পাৰে। ইতিমধ্যে যিহেতু ৰাজ্য চৰকাৰে এনে ধৰণৰ এখন আচনি হাতত লৈছে, সেইদেখি সভাই হেতাওপৰা নোহোৱাকৈ সমন্বয়পূৰ্ণ কাৰ্যসূচী এখনহে হাতত লোৱা উচিত হ'ব।

(৪) অসমীয়া ভাষাত বৃহৎ বুৰঞ্জী এখন যুগুত কৰাৰ দায়িত্ব ল'ব লাগে। এই সন্দৰ্ভত প্ৰাক্তন সভাপতি ৺সীতানাথ ব্ৰহ্মচৌধুৰীয়ে চলোৱা প্ৰচেষ্টাই এই বিষয়ত জুমুথি গঢ়াত সহায় কৰিব বুলি ভাবো।

(৫) বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ বাছি লৈ অনুবাদ কৰাই সেইবোৰ প্ৰকাশ কৰাৰ দায়িত্ব সভাই আৰ্থিক অসুবিধালৈ চাই নিজে নলৈ আনক দিব লাগে। এই ক্ষেত্ৰতো সভাৰ পাঠশালা অধিবেশনৰ সভাপতি ডঃ মহেন্দ্ৰ নাথ বৰাই দাঙি ধৰা আচনিয়ে আঁত ধৰাত সহায় কৰিব।

(৬) অসমীয়া শব্দৰ বিপৰীতে জনজাতীয় ভাষাৰ প্ৰতিশব্দ আৰু ইংৰাজী প্ৰতিশব্দ দি এখন বিস্তৃত অভিধান উলিয়াব লাগে। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত এখন আচনি লোৱা বুলি জনা গৈছে। সেয়ে হ'লে এই আচনি উল্লিখিত ধৰণেৰে পূৰ্ণাঙ্গ কৰি তুলিব লাগে। তেতিয়া সভাই দায়িত্ব লোৱাৰ প্ৰশ্ন নুঠে।

(৭) সংবাদ-সাহিত্য সম্পৰ্কে অধিক দৃষ্টি নিক্ষেপ কৰিব লাগে ; সমালোচনা সাহিত্য সমৃদ্ধ কৰাৰ ব্যৱস্থা লাগে ; ৰাজনৈতিক সাহিত্যৰো

প্ৰকৃত মূল্যায়ন হ'ব লাগে—এই ক্ষেত্ৰত সুকীয়া সুৰৰ বক্তব্য দাঙি ধৰাসকলৰ ৰচনাও মূল্যাংকনৰ পৰা বাদ পৰিব নেলাগে।

(৮) মহিলা সাহিত্যসেৱীসকলৰ প্ৰতি অধিক দৃষ্টি নিক্ষেপ কৰা উচিত। ইতিমধ্যে বহুতো মহিলা লেখিকাই নিজৰ কাৰণে সাহিত্য-জগতত স্থান উলিয়াবলৈ লৈছে। দুই এগৰাকীয়ে সমাজৰ কেতবোৰ কথা খুচৰি যিমান সাহসেৰে নিজৰ ৰচনাত ঠাই দিছে, তেনে উদাহৰণ বিৰল।

ৰাজ্যত বহুতো মহিলা সংগঠন আছে; এইবোৰ আঁতৰি থাকিব নেলাগে। সকলোৰে সমবেত চেষ্টাত মহিলাৰ সাহিত্য সেৱাৰ মঞ্চখন আৰু বহলাব পৰা হ'ব।

(৯) অসমীয়া সাহিত্যলৈ অনা-অসমীয়া লেখকসকলে আগবঢ়োৱা বৰঙণিৰ বিষয়ে অধিক বিস্তৃত বিচাৰ হ'ব লাগে।

(১০) চিনেমাই লাভ কৰা বিস্তৃতি আৰু ইয়াৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য কৰিলে চিনেমা-সাহিত্য উপেক্ষিত হৈ থকা বুলি ধাৰণা হয়। তদুপৰি চিনেমা সংক্ৰান্তত সকলো বিষয় সামৰি অসমীয়া ভাষাত কিতাপ যুগুত কৰাটো প্ৰয়োজনীয়।

(১১) দূৰদৰ্শন আৰু আকাশবাণীৰ ভাষা আৰু উচ্চাৰণৰ বিষয়ৰ প্ৰতি অধিক মনোযোগ দিয়া উচিত।

(১২) চাহ বাগিচা, চৰ অঞ্চল, জনজাতীয় অঞ্চল আৰু অনা-অসমীয়া ভাষাভাষী অন্যান্য অঞ্চলত চৰ্চা কেন্দ্ৰ পতা, গৱেষণা চলোৱা আৰু সাংস্কৃতিক সম্পদ সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে। এইবোৰ অঞ্চলত সাংস্কৃতিক বিনিময় আৰু গণ সংযোগৰ ব্যাপক কাৰ্যসূচী হাতত ল'ব লাগে।

(১৩) প্ৰাচীন কীৰ্তিচিহ্নৰ সংৰক্ষণ, পুৰণি পুথি-পাঁজিৰ সংৰক্ষণৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ উপৰিও এই সম্পৰ্কত জনমত গঠন কৰি চৰকাৰী ভাৱে এনে ব্যৱস্থা লোৱাৰ বাবে বাধ্য কৰিব লাগে। পুৰণি মঠ-মন্দিৰ আদিৰ সংস্কাৰৰ ক্ষেত্ৰত সদ্যহতে যি যথেচ্ছাচাৰ চলাই ঐতিহ্য নাশ কৰাৰ চেষ্টা চলিছে--তাক ৰোধ কৰাৰ ব্যৱস্থা হ'ব লাগে।

(১৪) অসমৰ সঙ্গীতৰ বেলিকা যি অৱক্ষয় হৈছে তাক ৰোধ কৰাৰ ব্যৱস্থা হ'ব লাগে। থলুৱা গীতমাত, নৃত্যৰ বিকৃতিয়ে আচল ৰূপ ধ্বংস কৰাৰ চিন সকলোতে পৰিলক্ষিত হৈছে। বিহু উৎসৱ আদিত



অসমৰ সংস্কৃতিৰ বিকৃত উপস্থাপন কৰাটো নিয়মত পৰিণত হৈছে। সেই-দেখি এই দিশত বিশেষ মনোযোগ দি প্ৰতিকাৰৰ উপায় চিন্তিব লাগে।

মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টি অবিকৃত অৱস্থাত ৰখাৰ বিশেষ ব্যৱস্থা হ'ব লাগে। বৰেণ্য সাহিত্যিক ডঃ মহেশ্বৰ নেওগৰ উদ্যোগত বৰগীতৰ সুৰসম্পদ সংৰক্ষণৰ কিছু ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত আৰু পদ-ক্ষেপৰ প্ৰয়োজন। প্ৰাচীন মন্দিৰ-নৃত্যবিলাক বিলুপ্ত হ'ল—সেইবোৰৰ উদ্ধাৰ আৰু সংৰক্ষণৰ প্ৰয়োজন।

অসমৰ থলুৱা গীতমাত, নৃত্য আদিৰ শুদ্ধ চৰ্চা আৰু সংৰক্ষণৰ বাবে অসম সাহিত্য সভা আৰু অসম চৰকাৰৰ তৰফৰ পৰা কেতবোৰ ব্যৱস্থা ল'ব পাৰে। গুৱাহাটীত এটা সাংস্কৃতিক কেন্দ্ৰ পাতি অসমৰ সকলো থলুৱা-গীত-মাত বাণীৱদ্ধ কৰি এটা সংগ্ৰহালয় পতা উচিত। তদুপৰি অসমৰ বিভিন্ন নৃত্যৰ সংৰক্ষণ ব্যৱস্থা ভি-ডি-অ' যোগে কৰিব লাগে। এই সংগ্ৰহালয়ত এনে ব্যৱস্থা ৰাখিলে সেয়ে পৰ্যটকৰ বাবেও আগ্ৰহৰ থল হ'ব। আনহাতে ইয়াত গৱেষণা চলোৱাৰো সুবিধা ওলাব। তদুপৰি শিক্ষাৰ্থী-সকলে শুদ্ধ ভাৱে গীত-মাত শিকিব পাৰিব। আনহাতে নৃত্য আদিৰ বেলিকাও বাদ্যযন্ত্ৰ, শুদ্ধ পৰিবেশন, সঠিক সাজপাৰ আদিৰ বিষয়েও ভি. ডি. অ' যোগে জানিব পাৰিব। পিচলৈ ৰাজ্যৰ বিভিন্ন ঠাইত উপকেন্দ্ৰ পাতি এনে সুবিধাৰ সম্প্ৰসাৰণ ঘটাব পৰা হ'ব।

অসমৰ সঙ্গীতজ্ঞসকলক আজিও উচিত স্বীকৃতি দিয়া হোৱা নাই। সেইপিনে মনোযোগ দিয়াৰ উপৰিও সঙ্গীত বিদ্যালয়বোৰৰ প্ৰতিও লক্ষ্য ৰখা উচিত। জধেমধে যাতে সঙ্গীত বিদ্যালয় পাতিব নোৱাৰে তাৰ বাবে বিদ্যালয়ৰ বাবে এটা মান নিৰূপিত হ'ব লাগে। স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ক অনুদান দিয়াৰ ব্যৱস্থাও থাকিব লাগে। চৰকাৰী সঙ্গীত বিদ্যালয়ক উন্নত পৰ্যায়লৈ নিয়াৰ বাবে সচেষ্ট হোৱা উচিত।

অসমীয়া গীতি-সাহিত্যলৈ আওকাণ কৰাৰ ফলতে আজি নিম্ন স্তৰৰ গীতেও আসন দখল কৰা দেখা গৈছে। গীতি-সাহিত্যক স্বীকৃতি দি কৃতী গীতিকাৰসকলক সন্মানিত কৰা উচিত।

(১৫) বৰাক উপত্যকাৰ প্ৰামাণ্য গ্ৰন্থ স্বৰূপে এখন পূৰ্ণাঙ্গ বুৰঞ্জী অসমীয়াত যুগুতাই উলিয়াব লাগে।

(১৬) অসম সাহিত্য সভাৰ যোগেদি আয়োজন কৰা ভাষা শিক্ষাৰ শ্ৰেণী নিষ্ঠাৰে পৰিচালনা কৰিব লাগে। এই ক্ষেত্ৰত পালমৰা কথাকাণ্ড চলাৰ যি অভিযোগ উঠিছে, তাৰ থল নোহোৱা কৰিব লাগে।

(১৭) নাটক আৰু নাট্যকাৰৰ ক্ষেত্ৰতো অধিক মনোযোগ দিয়াটো প্ৰয়োজন। ভাল নাটক পাবলৈ হ'লে পৰিবেশো গঢ়িব লাগিব। নাটক প্ৰকাশ কৰা আৰু নাট্যকাৰক উপযুক্ত স্বীকৃতি দিয়াৰ ব্যৱস্থা হ'ব লাগে। সম্প্ৰতি একাংকিকাৰ যি ঢল বৈছে, তাক সুপথেদি পৰিচালিত কৰাৰ বাবেও ভাল একাংকিকাসমূহ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব লাগে।

এইখন পটভূমিতে থিয় দি আমি আগবাঢ়িব পাৰিম বুলি ভাবি মোৰ ক্ষুদ্ৰ শক্তিৰে সুধী সমাজৰ বিবেচনাৰ বাবে দুআষাৰমান আগবঢ়ালো আমি মুঠ বান্ধি থাকিলে মাউখে উটিব পাৰিম। সেই বিশ্বাস অটুট থক কাৰণেই হতাশাৰ চাৰি ঢাপতো ভৰি আমি নিদিওঁ। আহক—কৰি নহ'লে মৰিম—এই সংকল্প লৈ আমি আগবাঢ়ো।

শেষত সমূহ ৰাইজলৈ মূৰ দোঁৱাই আৰু অসমীয়া ভাষা-সাহিত্য বাটকটীয়া স্বৰূপ স্বৰ্গীয় নমস্য ব্যক্তিসকলৰ স্মৃতি তৰ্পণ কৰি আৰু অসম হকে জীৱন আহুতি দিয়াসকলৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণিপাত জনাই ইমানে মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

—কীৰ্তিনাথ হাজৰিক